# শেৱালি

THE NABIN BARDOLAI HALL & LIBRARY
JUL 1960

শ্ৰীৰত্নকান্ত বৰকাকতী

লয়ার্ছ বুক ষ্টল
গুৱাহাটী : অসম

# শেৱালি

'Love is a smoke raised with the fume of Sighs,
Being purged, a fire sparkling in lover's eyes;
Being vexed, a sea nourished with lover's tears,
What is it else? a madness most discreet
A choking gall and a preserving sweet

— ( *Romeo-Juliet* )
SHAKESPEARE

শ্রীৰত্নকান্ত বৰকাকতী

প্ৰকাশক :
শ্ৰীবিচিত্ৰনাৰায়ণ দত্ত বৰুৱা,
লয়াৰ্চ বুক ষ্টল
গুৱাহাটী অসম।

দ্বিতীয় তাঙৰণ
জুন, ১৯৫৯

মূল্য ৫ টকা

মুদ্ৰক :
শ্ৰী [illegible]চৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট কলিকতা ৬

# "শেৱালি" সম্বন্ধে অভিমত

অসমীয়া ভাষাৰ সুবিখ্যাত লেখক, সাহিত্যৰত্ন শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াই লিখিছে :

যোৰহাট
১৭।৭।৩২

প্ৰিয় বৰকাকতী

আপুনি পঠোৱা "শেৱালি" নামৰ কবিতা পুথিখন পঢ়ি চালোঁ আৰু পঢ়ি সন্তোষ পালোঁ। কবিতাবিলাকৰ ভাৱ মধুৰ আৰু ভাষা মধুৰ হৈছে। মোৰ মনেৰে ইয়াৰে কিছু কিছু বাছি লৈ বিশ্ববিদ্যালয়ৰ অসমীয়া পাঠ্য কৰিবলৈ ভাল হব। আমাৰ ভাষাত ওখ শাৰীৰ পাঠ্যৰ অনাটনৰ সময়ত, আপুনি এই পুথিখন প্ৰকাশ কৰি এটি লাগতিয়াল কাম কৰিলে।

দূৰত ছপোৱাৰ বাবে এইখনত ছপাৰ ভুল থাকি গল। পাছৰ মুদ্ৰণত সেই বিলাক যেন শুধৰাই ছপা হয়।

আপোনাৰ
(স্বাক্ষৰ) শ্ৰীচন্দ্ৰধৰ বৰুৱা

যোৰহাট কলেজৰ প্ৰিন্সিপাল বহুভাষাবিদ শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ এম-এ (অক্সফোৰ্ড) ডাঙৰীয়াই লিখিছে :

গীতিকবিতাৰ সংগ্ৰহ "শেৱালি" পঢ়ি চালোঁ। ৰচনাৰ ৰীতিৰ বিশেষত্ব আছে, আৰু • • • কবিতাৰ স্বাভাবিক হিল্লোল আছে। • • • অসমীয়া গীতিকবিতাৰ নিদৰ্শন স্বৰূপে "শেৱালি" তৰুণ পাঠকৰ সুখপাঠ্য হব।

(স্বাক্ষৰ) শ্ৰীকৃষ্ণকান্ত সন্দিকৈ
১৩।৭।৩২

# পৰিক্ৰমা

শ্ৰীযুত ৰত্নকান্ত বৰকাকতী ডাঙৰীয়া কবি হিচাবে তাহানিখনৰ উষাৰ দিনৰে পৰা অসমীয়া সাহিত্যত পৰিচিত। দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্ম্মা আৰু বৰকাকতী ডাঙৰীয়া দুয়ো একে লগেই উষাৰ পোহৰতে সাহিত্যিক জীৱন আৰম্ভ কৰে। শৰ্ম্মাদেৱে বেজবৰুৱা ডাঙৰীয়াৰ পাটি লেখা পেৰা অলপ দিনৰ পাছতে সাহিত্য-চৰ্চ্চালৈ চাহ এৰা দি ৰাষ্ট্ৰনীতিলৈ গল কিন্তু আমাৰ বৰকাকতী ডাঙৰীয়া কবিতা-কুঞ্জত বাঁহী বজাইয়ে থাকিল। ঘাইকৈ 'উষা' আৰু 'চেতনা'ত তেখেতৰ গীতি-কবিতাবোৰ প্ৰকাশ পাইছিল। গীতি-কবিতাৰ বাহিৰেও তেখেতে দাৰ্শনিক তথ্যমূলক প্ৰবন্ধ আৰু সাহিত্যৰ সমালোচনা আদিও লিখিছে।

কবিতা বিশ্লেষণৰ বস্তু নহয়। কবিসকলে নিজেও কোনো বস্তুক বুদ্ধিৰ ( intellect ) চোকা কটাৰীৰে ফালি নেচায় ৰসবোধেৰে অনুভৱ কৰি লোকৰ মনত সেই ৰসৰ সঞ্চাৰ হে কৰে। ইংৰাজ কবি ৱাৰ্ডছৱাৰ্থে তেখেতৰ এটি কবিতাত কবি-চৰিত্ৰ-প্ৰসঙ্গত উদ্ভিদ-বিদ্যাবিশাৰদ বৈজ্ঞানিক এজনক কদৰ্থনা কৰি কৈছে বোলে তুমি মলাৰ মৰিশালিৰ ওপৰত গজা ধুনীয়া ফুল পাহীকো ছিৰিফালি তাৰ শ্ৰেণী বিভাগ কৰিহে সুখ-পোৱা।* কবিতা সমালোচনাও তেনে এক প্ৰকাৰ বৰ নিষ্ঠুৰ হে কাম, তথাপি আমি বৰকাকতী ডাঙৰীয়াৰ পোৱালঠৰীয়া সুকোমল শেৱালিক যিমান পাৰি আলফুলকৈ চাবৰ চেষ্টা কৰিম।

---

* 'Philosopher ' a fingering slave, one that would peep and botanise upon his mother's grave.

—Poet's Epitaph

বিষয়-বস্তু হিচাবে চালে এই সংগ্ৰহটিত থকা কবিতাখিনিক কামচলাকৈ তলত লিখা কেইটা ভাগত ভগাব পাৰি (১) প্ৰেম বা ভাল-পোৱাৰ কবিতা, (২) কবি আৰু কাব্য সম্বন্ধীয়, (৩) শোকৰ কবিতা (ইলিজি), (৪) পৌৰাণিক আৰু ঐতিহাসিক কথা; (৫) জীৱনৰ সমস্যা সম্বন্ধে তেওঁৰ চিন্তাৰ কাব্যময় প্ৰকাশ।

শেৰালিৰ প্ৰায় সৰহখিনি কবিতাই 'প্ৰেম' বা ভালপোৱাক কেন্দ্ৰ কৰি লিখা। এই ভালপোৱা সম্পূৰ্ণ মানবীয়, স্ত্ৰী-পুৰুষৰ প্ৰেম বুলিলে আমি সাধাৰণতে যি বুজোঁ, ই ঈশ্বৰৰ প্ৰেম কিম্বা Platonic love নহয়, দাৰ্শনিক তত্ত্ব বা জটিল ধৰ্ম্মতত্ত্বৰে ঢাক খাই থকা প্ৰেমো ই নহয়। এই কবিতা বোৰত মাথোন মানৱ হৃদয়ৰ সহজ বিশ্বজনীন অনুভূতি এটিৰ বিভিন্ন অৱস্থাৰ প্ৰকাশ পাইছে। মানুহৰ জীৱনত এনে এটি বস্তৰ আছে, যেতিয়া শত সহস্ৰ চকুৰ ভিতৰত এযুৰি চকুৱে মাথোন তেওঁক অধিকাৰ কৰি লয়। Liberty ৰ দৰ্শন তত্ত্বত কোৱা দুটা monad অৰ নিৰ্বাচনাকৈ এটি প্ৰাণী আন এটি প্ৰাণীৰ প্ৰতি আকৃষ্ট হয়।

মনে থাক চিনি চকুৱে চিনাৰ
সেইহে হৰলা
তোমাৰ চকুত
ইমান মউ।

বতাহ হলেই নুফুলে তো ফুল
বসন্তৰ বা
লাগিলে ফুলৰ
উঠে কি ঢৌ।

সকলো চকুতে নাইতো উল্লাস
সকলো তৰাৰে
সমান শোভা
নভত নউ।

(কি দুটি চকু)

এই মিলনে সময়বো অপেক্ষা নকৰে। এটি বিজুলীৰ সঞ্চাৰতে দুটি প্ৰাণ একীভূত হয়।

খন্তেক মাথোন হ'ল চকু চোৱা-চুই,
প্ৰাণ মন হই যোৱা এক, গুচি দুই।

এই প্ৰসংগতে এলিজাবেথান্ কবি Marlowe অৰ "Whoever loved that loved not at first sight" কথাষাৰলৈ স্বাভাৱিকে মনত পৰে।

যি দিনাই প্ৰিয়জনে তেওঁৰ হিয়া অধিকাৰ কৰি ল'লে, সেই দিন অৱধি প্ৰিয়াৰ সংযুক্ত সকলো বস্তুকেই তেওঁ অভিনৱ দৃষ্টিৰে দেখা পালে। প্ৰিয়াৰ যি চকুলো সিও 'ভাষাৰ গীত' নহয়, শব্দ-শূন্য গান হে। তেওঁৰ প্ৰিয়াটি যেন বৰ্ণিব নোৱাৰা, বুজাব নোৱৰা কিবা এটি, যাৰ উপমা নাই বিজুলীৰে লহৰ নে, সাগৰৰ ঢৌ, ফুলৰ ঘ্ৰাণ নে নুপুৰৰ ধ্বনি তেওঁ ঠিক কৰিব পৰা নাই। নাইবা তেওঁৰ অন্তৰৰ আকুলতাই বাহিৰত "তুমি" ৰূপে দেখা দি হিয়াত হুতাশৰ জুই জ্বলাই দিলে।

বস্তুৰ সৌন্দৰ্য প্ৰীতি-সাপেক্ষ। এজনে এটি বস্তুক ভাল পোৱা বাবেহে সেই বস্তুটি তেওঁলৈ সুন্দৰ। ৰবীন্দ্ৰনাথৰ এটি ছনেটত লিখিছে যোলে নাৰী কেৱল বিধাতাৰে সৃষ্টি নহয়, পুৰুষে নিজ অন্তৰৰপৰা সৌন্দৰ্য সৃষ্টি কৰি প্ৰিয়তমাৰ গাত আৰোপন কৰাত হে নাৰী সুন্দৰী। কবিসকলে চিৰদিন সোণৰ উপমা-সূতাৰে কাপোৰ বৈ-বৈ তেওঁবিলাকক পিন্ধাব লাগিছে। ইংৰাজ কবি Congreve এ তেওঁৰ নাট এখনৰ স্ত্ৰী চৰিত্ৰ এটিৰ মুখেদি কোৱাইছে, You are no longer handsome when you have lost your lover, your beauty dies upon the instant : for beauty is the lover's gift : it is he bestows your charms, your glass is all a cheat.

কবিয়েও তেওঁৰ প্ৰিয়তমাতে বিশ্বৰ সকলো সৌন্দৰ্য ঢালি দি

তেওঁক তিলোত্তমা কৰিবলৈ যাওঁতে নিজলৈ বিশ্বপ্ৰকৃতিৰ একো সৌন্দৰ্য্যই নোহোৱা হ'ল;

যিদিন হন্তে
চকু চাট্ মাৰি
তুমি উজলিলা মোৰ,
সেই দিন ধৰি
যেন নিলা হৰি
তিল তিলকৈ
সকলোবোৰ
*   *   *
ফুলৰ হৃদয়
কৰিলা হৰণ
লুটিলা তাৰ
লাবণ্য, বৰণ
তৰাক পেলালা
জয়।

( বিশ্বহৰণ )

পুলক ভৰা
চৰাইৰ গান
নালাগে মোৰ সিমান ভাল;
সকলো চৰাইৰ গানৰ গান
তোমাৰ মাতত পাওঁ যি তাল।

( তোমাৰ পৰশ )

কবিয়ে কেতিয়াবা তেওঁৰ প্ৰিয়তমাৰ লগত আত্মাৰ মিলন বিচাৰিছে দেহাৰ মিলনৰ ভিতৰেদি।

আত্মাই মিলিব খোজে মোৰ
তোমাৰ আত্মাৰে,
নোৱাৰে ধৰিব লগ ঘনে
মায়াই আগুৰে।

সেই কাৰণে তেওঁ শিবন্‌বাৰ্ণে কোৱাদি প্ৰিয়তমাক কৈছে,

যদি তুমি হোৱা হলে
পদুম এপাহ,
মই যদি ৰিব্ ৰিব্ মলয়া বতাহ;
ধীৰে ধীৰে গই ধৰি চকুটি মুদাই
কৰিলোঁহেতেন স্নেহ শত চুমা খাই।

(যদি)

কিন্তু আত্মাৰ যি অতৃপ্ত-আকাঙ্ক্ষা কেৱল দৈহিক মিলনত জানো তাৰ তৃপ্তি সম্ভৱ?

আৰু বাৰু হওঁ যদি
সেউট ফুল এটি,
তুমি যদি চন্দ্ৰমাৰ
হই মৃদু সুধাধাৰ
আবেগ অন্তৰে মোক
ধৰাহি সাৱটি
অতৃপ্ত প্ৰেমৰ তেও হবনে তৃপিতি?

(তেওঁ)

ঠিক এনে কথাকেই মৈথিলী কবি বিদ্যাপতিয়ে গাইছিল,

লাখ লাখ যুগ হিয় হিয় ৰাখনু
তয়ো হিয় জুৰণ নাগেল।

আৰু এনে ভাবতেই ব্ৰাউনীঙে বিষাদৰ সুৰেৰে হৃদুনিয়াহ পেলাইছে।

'Only I discern
Infinite passion and the pain
of finite hearts that yearn.'

শেৱালিৰ প্ৰেমৰ কবিতাবোৰত প্ৰেমৰ কেৱল আনন্দ উচ্ছ্বাসেই নহয়; প্ৰেমৰ মধুৰ সন্দেহ, গভীৰ ব্যথা, কৰুণ নিৰাশা প্ৰভৃতিবোৰো

আবেগময় প্ৰকাশ আছে। প্ৰিয়তমাই কবিক ভাল পায় নে নেপায়, তেওঁ সেইটো সুধিব নোখোজে, তেওঁ যে ভাল পাব পাৰিছে, তেওঁৰ পক্ষে সেয়ে যথেষ্ট। প্ৰিয়তমাৰ বিৰহতো কবিয়ে বিৰহ-শিখাৰে ৰঙা হিয়াখনকে তেওঁলৈ অৰ্পণ কৰিছে। কবিৰ প্ৰেম অন্তৰৰ এগছি অখণ্ড প্ৰদীপ, সি কোনো ইন্দ্ৰিয়গ্ৰাহ্য বস্তু নহয়। তেওঁৰ অন্তৰৰ অনন্ত ধাউতি প্ৰদীপৰ দৰে জ্বলি জ্বলি তেওঁৰ অন্তৰ্জীৱন পোহৰাই থৈছে। (উপহাৰ)

কবিৰ আৰাধ্য বস্তু মায়ামৃগৰ দৰে অকস্মাৎ অন্তৰ্ধান হোৱা সত্ত্বেও কবিৰ মানসীয়ে মূৰ্ত্তিমতী হৈ ধৰা নিদিলেও ব্ৰহ্মাণ্ডৰ সকলো বস্তুতেই তেওঁ প্ৰিয়াৰ ৰূপ দেখা পাইছে।

এতিয়া নাই আকাৰ তোমাৰ
সৰ্ব্ব বিৰূপি গলা,
সৰ্ব্বৰূপতে এতিয়া তোমাক
পিন্ধাম ৰ্ডিঙৰ মালা।

(সৰ্ব্বৰূপত)

কোনো একোটা মানসিক অৱস্থাত কবিয়ে খেবাছানৰ খৈয়ামিমৰ দৰে ভাবে,

ফুলনি শুৱাই ফুলে যেনে ফুল
নুগুচোতো মোৰ
তেতিয়াও ভুল
দেখো নে সিহঁত কলিজাৰ তেজ
নিৰাশ প্ৰেমৰে
ৰাঙলি ফুল।

(সুন্দৰ)

বিৰহ-দগ্ধ কবিয়ে তেতিয়া নিজকে এই বুলি সান্ত্বনা দিয়ে,

মোৰ ই হিয়াত তুমি যি কম্পনি
আঁতৰিলা তুমি, তোমাৰ নউ;
মোৰ কম্পনিয়ে তোমাৰো হিয়াত
পাৰিবনে বাৰু নতুলি ঢউ?

পাৰিলে পাবক, নাই নোৱাৰিলে
মনোমন্দিৰত পূজিম শিৱ;
অ' মোৰ গৰ্ব্ব, অ' মোৰ সাধনা
অ' মোৰ স্বৰ্গ, অ' মোৰ প্ৰিয়।

(সুন্দৰ)

'বিৰহৰ গৌৰৱ' বোলা কবিতাত কবিয়ে বিৰহৰ জয়-গান গাই কৈ উঠিছে—বিৰহ-বিষাদ নোহোৱা হলে জগতত ইমান গীত, ইমান কবিতা ক'ৰ পৰা হলহেতেন? 'একো ৰসঃ কৰুণ এব'।

শাওণৰ ঘনঘোৰে
মোৰ অত চকুলোৰে
ঢালি ঢালি ধাৰাসাৰে
তিয়ালে হে'তেন ক'ত তপত হৃদয়
আবেগত ভাগি-ছিগি, ধুমুহা বতাহ লাগি
এচুকৰ এই হৃদি
নহল হে'তেন অত
বিৰাট প্ৰণয়।

কবিৰ প্ৰথম যৌৱনৰ প্ৰণয়ৰ আশা-নিৰাশা, আনন্দ উচ্ছ্বাস, বিষাদ গীতি, সকলোৰে অৱসান 'ঘৰ জেউতি' (Angel in the House)ত। বৈৱাহিক জীৱনত প্ৰবেশ কৰা কবিয়ে তাৰকাৰ ধাউতি পৰিহাৰ কৰি মানৱী ৰূপিনী দেবীক আদৰি লৈছে। তেওঁৰ অনন্তৰ সৰ্ব্বব্যাপিনী বলাই ঘৰতে ধৰা দিলে।

সেই বিশ্ববিলীনা স্বৰ্গললনা
ডিঠকতে আজি মধুৰ স্বপ্নসখী,
তনু ধৰি ধৰা দিলা নেকি মোক
মানুহৰ বেশে অতনু পৰাণ পখী।

(ধৰাপৰা)

প্ৰণয়ৰ বিভিন্ন ভাৱৰ প্ৰকাশ হিচাবে বৰকাকতী ডাঙৰীয়াৰ প্ৰেমৰ গীতি-কবিতাখিনিয়ে অসমীয়া সাহিত্যত এখন নিজস্ব ঠাই অধিকাৰ কৰিছে।

প্ৰেমিক আৰু কবিৰ ভিতৰত অনেকখিনি মিল আছে, এইষাৰ কথা সকলোৱে জানে, অন্ততঃ মহাকবি শ্যেকছপীয়াৰে সেই সম্পৰ্কে লিখা কবিতা ফাকি। শেৱালিৰ কেইটামান কবিতা কবি-চৰিত্ৰ, কাব্যৰ স্বৰূপ, প্ৰভৃতি কথা লৈ লিখা। কেইবছৰমানৰ আগেয়ে বৰকাকতী ডাঙৰীয়াই 'আলাপ' বোলা dialogue এটিত কবিৰ প্ৰকৃতি লৈ আলোচনা কৰিছিল। জগতৰ পৰশত কবিৰ মনোবীণাত যি ঝঙ্কাৰ উঠে, সেয়ে কাব্য। কবিসকলৰ অনুভূতি অতি তীব্ৰ, সৰ্ব্ব-সাধাৰণৰ মনক যি ঘটনা বা দৃশ্যই স্পৰ্শ কৰিব নোৱাৰে কবিয়ে তাতেই অভিভূত হৈ সেই আবেগ প্ৰকাশ কৰে। 'সকীয়নি' কবিতাত অকবিক সম্বোধন কৰি কবিয়ে সুধিছে,

মোক যে সদায় সকিয়াই থাকে
'প্ৰকৃতি খনে
তোমাক নো একো বাৰ্তাৰ তাৰ
নিদিয়ে নে ?
নকৰে তোমাক বকুলে আকুল,
তোমাৰ মনত বনৰ ফুল
নাহাঁহে এদিনো লগাই ভুল ?
নাগায় কোকিলে গান ?
জোনৰ মধুৰ হাঁহিৰ ৰেখা
মেঘৰ আঁৰৰ নোপোৱা দেখা
নজলে বিজুলী আবেগ লেখা
নকঁপে তৰাৰ প্ৰাণ ?

'কবিৰ চিন্তাত' আকৌ কবিয়ে গাইছে,

যি সুৰত সাউ জোনালী সভাত
নাচিছে লক্ষ তাৰকা ইন্দু
বাগৰি পৰিছে ধৰাত সিন্ধু;

সি সুৰতে মোৰে।
ক্ষীণ তনুটিৰো
শিৰে শিৰে আজি
লহৰী বাগৰি
নাচিছে শোণিত বিন্দু।
ইমান মাধুৰী ইমান ৰস
নোৱাৰোঁ যে মই
একলে কৰিব পান।
সেই হে ইমান অন্ধ আতুৰ
চাতকী প্ৰাণ,
গুঞ্জৰি গুমৰি বন্ধ বিমোৰ
হিয়াৰ গান।

সৃষ্টিৰ সকলো বস্তুৰ প্ৰকাশৰ দৰে কবি-হৃদয়েও আপোন আবেগৰ প্ৰকাশ বিচাৰে; দুষ্প্ৰকাশ ৰুদ্ধ আবেগ কবি জীৱনৰ ডাঙৰ ট্ৰেজেডি। সেই হে 'প্ৰকাশবাধা'ত কবিয়ে বেজাৰ কৰিছে,

প্ৰকাশ পাইছে কোকিল-কণ্ঠ
শত বসন্তে ব্যাকুল কৰি,
ই জীৱন কিয় হতাশ বন্ধ
ৰুদ্ধকণ্ঠ গুমৰি মৰি?

আকৌ কেতিয়াবা প্ৰকাশৰ পুলকত কবিয়ে চিঞৰি উঠিছে।

পোহৰৰ সোঁতে আজি
চোৱা সউ
আকাশৰ গঙ্গা;
গিৰ্ গিৰ্ নামি আহে
জলদৰ
ভাঙি ছিঙি জঙ্ঘা।
ছিদ্ৰ-ভেদি মোৰ সউ
সুনীলৰ
কৈলাস গঙ্গা।

(মুক্তি)

সুনীল গগনৰ মেঘ, গানগোৱা বতাহ, তৰাৰে লেখা স্বৰ্গৰ আখৰে কবিক আমন্ত্ৰণ কৰিব লাগিছে, সেই কাৰণেই তেওঁ 'উন্মনা'। বাহ্য প্ৰকৃতিয়ে কবিক এটি অনিৰ্দ্দিষ্ট, সুদূৰ, অনন্তৰ সংকেত দি তেওঁক চঞ্চল কৰি তোলে।

আহিলে পোহৰ
উজলি ভুবন
উথলি উঠো
আবেগে হায়,
চিৰবঞ্চিত
চিৰসঞ্চিত
মুখনি আজিও
নাপালো হায়।

(পদুলি মুখত)

আকৌ

লৰিছে বিপিনে চন্দ্ৰসূৰ্য্য
বজাই তুৰ্য্য
মন্দ্ৰসুৰ,
বতাহে বিপিনে ধৰিছে হাল
উৰিছে মেঘৰ ধৱল পাল,
সিপিনেই তোৰ
গভীৰ আতুৰ
অনাদি যাত্ৰা
সুদূৰ দূৰ।

(কৌন?)

ইংৰাজ কবি টেনিশ্যনৰ ইউলিছেছ, ভয়েজ, মাৰ্লিন্ প্ৰভৃতি কেইটামান কবিতাত অনন্ত সুদূৰৰ প্ৰতি এটি অদম্য আকাঙ্ক্ষা প্ৰকাশ পাইছে, কিন্তু সেই আকাঙ্ক্ষা কৰ্ম্ম-জীৱনৰ আকাঙ্ক্ষা। যৰকাকতী ডাঙৰীয়াৰ কবিতাত সেই কৰ্ম্ম-প্ৰেৰণা নাই, তেখেতৰ কৌন প্ৰভৃতি কবিতাৰ ৱাৰ্ডছৱাৰ্থৰ Stepping Westward অৰ লগত হে সামঞ্জস্য বেছি। যি হওক, সুন্দৰৰ লগত অনিৰ্দ্দিষ্ট আৰু

অজ্ঞেয়ৰ এই সমাবেশ (যাক কোনো সমালোচকে Celtic touch নাম দিছে) বৰকাকতী ডাঙৰীয়াৰ কবিতাত ফুটি ওলাইছে।

কবি উদাসী, তেওঁ সংসাৰত নিৰ্লিপ্ত, চিৰ চঞ্চল, অতল প্ৰেমৰ অন্তলীন সত্তাৰ প্ৰয়াসী তেওঁ। দেখাত নিষ্কৰ্ম্মা হলেও আচলতে কবিয়েহে বিশ্বপ্ৰকৃতিৰ লগত নিজৰ আচল সংযোগ ৰাখে।

কিয় তেন্তে পুৰাতে ইমান,
পখীৰ ৰব নদীৰ গান,
বিপুল পুলক হায়!
সোণৰ সুৰত নাচে আকাশ,
বতাহে কাৰ দিয়ে আভাস,
হৃদয় ওপচায়।

(কিয়?)

ব্যৱহাৰিক জগতৰ কাৰণে কবিৰ আৱশ্যক নহবও পাৰে, অৰ্থ-নৈতিক বা ৰাষ্ট্ৰনৈতিক সমস্যাৰ সমাধান পোনপটীয়াকৈ কৰিবলৈ কবি অসমৰ্থও হব পাৰে। তেওঁ সাধাৰণতে নিৰ্জ্জনতাপ্ৰিয়। বিশ্ব-জগতৰ নিৰ্জ্জীৱ সজীৱ সকলো প্ৰাণীৰে মাজত যি এটি মিলনৰ স্বৰ্ণ সূত্ৰ আছে তেওঁ সেইটি ধৰা পেলায়। কবিৰ ৰাজত্ব বাহ্যিক জগতত নহয়, হৃৎ-জগতত; তেওঁ বুদ্ধিৰে চুকি নোপোৱা ৰহস্যৰো সম্ভেদ পায়, তেওঁ বুজে Things more true and deep than we mortals dream.

অসীম তত্ত্ব অনাদি কালৰ
অভেদ মধুৰ ৰহস্য ম্যাৰ,
মোকোলাই ধৰে মুকলি কবিয়ে
মুকলি হিয়াৰ বজাই তাঁৰ।

কবিৰ জীৱন এটি সাধনা, তেওঁ তাপস। দুখ-দৈন্যৰ বহ্নিত দগ্ধ হোৱা হিয়া তেওঁৰ হোমৰ হবি।

অলৌকিক আনন্দের ভার
বিধাতা যাহারে দেয়, তার বক্ষে বেদনা অপার,

তার নিত্য জাগরণ; অগ্নিসম দেবতার দান
উর্দ্ধশিখা জ্বালি চিত্তে অহোরাত্র দগ্ধ করে প্রাণ।

(ৰবীন্দ্ৰ)

কবিৰ ধৰ্ম্মও লৌকিক ধৰ্ম্ম নহয়।

'মই পূজো কাৰবাক কবকে নোৱাৰোঁ
এই দেখোঁ এই নাই ভূলোকে দ্যুলোকে
নিতে নবৰূপ তাৰ
নিতে অগোচৰ,
বিচাৰি তাকেই বয় চকুলো পলকে
লক্ষ ধাৰে লক্ষ সূঁতি
অলক্ষ্য সাগৰ।

(মোৰ পূজা)

কাৰুণ্যই যিস্থলত কবিতাৰ শ্ৰেষ্ঠতম উপাদান, আত্মীয় জনৰ বিয়োগত কবি হৃদয় যে বাজি উঠিব, ই স্বাভাবিক। তিনিটি (Elegy) শোক কবিতাই শেৱালিত ঠাই পাইছে। 'অর্থ' বোলা কবিতাটিত কবিয়ে তেখেতৰ এটি শিশুকন্যাৰ মৃত্যুত সংসাৰৰ এনে নিঠুৰতাৰ অৰ্থ বিচাৰিছে। 'ভাইটি' নামৰ কবিতাত কবিয়ে মৃত ভায়েকৰ সোঁৱৰণি সুৰ্ঁৰি সন্দেহৰ সুৰেৰে কৈছে,

জীৱনৰ সিপাৰত ওলাব এদিন যদি
ডিঙিত সাবটি ধৰি চুমা এটি খাম।

কিন্তু দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্ম্মাৰ বিয়োগত লেখা কবিতাই মনুষ্য আত্মাৰ অবিনশ্বৰতা সম্বন্ধে কবিৰ দৃঢ় বিশ্বাস প্ৰকাশ কৰিছে। প্ৰকৃততে তেওঁৰ মৃতবন্ধু তেওঁৰপৰা হেঁৰোৱা নাই, বিশাল অনন্ত সাগৰৰ এটি ক্ষুদ্ৰ ঢৌ মাথোন সাগৰতে মাৰ হে গৈছে। "আবৰ্ত্ত-বুদ্বুদতৰঙ্গময়ান্ বিকাৰান্ অম্ভো যথা সলিলমেব তু তৎ সমগ্ৰম্।" (ভৱভূতি)। নতুন দেশত কোনো জনমত বন্ধুৰ লগত দেখা হলে 'জননান্তৰ সৌহাৰ্দ্দ' পুনৰ জাগ্ৰত হব।

হয়তো তেতিয়া দক্ষিণ বতাহে
পূৰ্ব্বৰ স্মৃতি হঠাৎ গই;
জনলাব হিয়াত লওঁতে জিৰণি
দুয়ো অকলে কেনেবাকৈ।

প্ৰাচীন কাব্য আৰু ঐতিহাসিক জগতৰ দুই এটি কৰুণ কাহিনীও কবিৰ হৃদয়ত প্ৰতিধ্বনিত নোহোৱাকৈ থকা নাই। কাব্যৰ উপেক্ষিতা ৰামায়ণৰ উৰ্ম্মিলাৰ চৰিত্ৰই তেওঁক বিশেষকৈ স্পৰ্শ কৰিছে। ৰবীন্দ্ৰ-নাথৰ এই বিষয়ে লিখা বিখ্যাত প্ৰবন্ধই আমাৰ **শেৱালিৰ** কবিক ভাব যোগাব পাৰে; তথাপি অব্যক্ত বেদনা উৰ্ম্মিলাৰ কাহিনীটি কবিতাত মৰ্ম্মস্পৰ্শী হৈছে। শকুন্তলাৰ চতুৰ্থ অংকৰ মৃদু কৰুণ-ৰসেৰে পূৰ্ণ শ্লোক কেইটিৰ ভাঙনিও মনোৰম হৈছে। 'তাজমহল'ত ৰবীন্দ্ৰনাথৰ প্ৰভাৱ থাকিলেও বিশ্বকবিৰ চাজাহানৰ পৰা এই কবিতাৰ ভাবধাৰা কিছু পৃথক্। "তাজমহল" নেদেখাকৈয়ে কবিয়ে এই কবিতা লিখিছে; তাজমহল দেখি কি লিখিলেহেঁতেন জানিবৰ মন যায়।

দুৰ্বাণি আৰু অতীতৰ কথাৰ উপৰিও জীৱনৰ বিবিধ গভীৰ সমস্যাই কবিসকলৰ অন্তৰ্জগত আন্দোলিত নকৰাকৈ নাথাকে। সৃষ্টিৰ নানান প্ৰশ্ন, সংসাৰৰ দ্বিধা-দ্বন্দ্ব প্ৰভৃতি জীৱনৰ অভিজ্ঞতাৰ poetic interpretation দিয়াও কবিসকলৰ কাম; নচেৎ তেওঁবিলাকক কেৱল idle singer of an empty day বোলা যাব।

মানুহৰ ভুল-ভ্ৰান্তি, ব্যৰ্থতা, নিৰাশা প্ৰভৃতিও মানুহৰ অনন্ত জীৱনৰ অনন্ত উন্নতিৰ পথৰ ক্ৰম মাথোন।

নহয়, নহয়, নহয় ভ্ৰম,
ভ্ৰম যে তোমাৰ সৃষ্টিক্ৰম,
তুমি ক্ৰমৰ পোহী
ফুলাই ফুলাই
আত্ম মেলা,
ভ্ৰমৰ হাঁহি
তুলাই তুলাই
খেলা খেলা।

মানুহে সাধাৰণতে জীৱনত যিবোৰ ভুল, ভ্ৰম বা ব্যৰ্থতা বুলি ভাবে, সিহঁত হয়তো তেনে হবও পাৰে।

অপ্ৰকাশত কি জানিবা একো
হোৱা নাই মোৰ ভুল।
নুফুলি জীৱন ফুল;
মোৰ জীৱনৰ ফুল
নুফুলি নুফুলি
ফুলিব পাৰে
ভাঙি দি হঠাৎ মোৰ
নজনা নুশুনা ভুল;
কাইটেবে বেৰা মোৰ
এই জীৱনৰ ফুল।

এই কেইটা পংক্তিয়ে Mathew Arnold অৰ We cannot kindle when we will লৈ মনত পেলায়।

বাস্তবিকে, ভুল কৰাৰ স্বাধীনতাই মানুহৰ শ্ৰেষ্ঠত্ব, মনুষ্যেতৰ জন্তু বা পদাৰ্থৰ কৰ্ম্ম কৰিবৰ স্বাধীনতা নাই, প্ৰকৃতিয়ে সিহঁতক যিমানলৈকে নিয়ে সিমানলৈকেহে সিহঁত যাব পাৰে। সীমাবদ্ধ সিহঁতৰ কৰ্ম্মৰ স্বাধীনতা।

"From our point of view, life appears in its entirety as an immense wave, which, starting from a centre, spreads outwards, and which on almost the whole of its circumference is stopped and converted into oscillation, at one single point the obstacle has been forced—the impulsion has passed freely. It is this freedom that the human form registers. Everywhere but in man consciousness has had to come to a stand ; in man alone it has kept on its way. Man then continues the vital movement indefinitely."

(Bergson)

কবিয়ে কয়,

সিবোৰ গাইছে সহজে
বইছে সহজে
নাচিছে সহজে
সহজত নাই ভুল;

মানুহে নাগায় সহজে
নকয় সহজে
নানাচে সহজে
সহজ নহয় বিকাশ মনুষ্য ফুল।

তাতেহে তাৰ শ্ৰেষ্ঠ গৰ্ব্ব,
তাতেহে ইমান মোল,
তাতেহে ঘটে পদে পদে তাৰ
হেজাৰ হেজাৰ ভুল।

মানুহৰ ক্ষমতা যি স্থলত সীমাবন্ধ নহয়, মানুহে নিজৰ সাধনাৰে পৃথিবীক স্বৰ্গত পৰিণত কৰিহে বন্ধুভাবে ঈশ্বৰৰ কাষ চাপিব। মানুহে ঈশ্বৰক সমিধান দিব দান কৰি হে, গ্ৰহণ কৰি নহয়।

প্ৰত্যুত্তৰ যদি তাৰ পাৰোঁ মই দিব
স্বৰ্গ সাজি মৰততে সোণৰ বৰণ,
আপোন মনৰ মোৰ মাধুৰী ৰাশিৰে
পাৰোঁ যদি জগতক কৰিব বৰণ।
স্বৰ্গস্ৰষ্টা ৰূপে মই তেতিয়াহে ধাতা
সখিত্ব গৌৰবে ·আহা তোমাৰ লগত,
মিলনৰ গৰ্ব্ব লৈ মিলন মিলন কৈ
মিলি যাম মিলনেৰে মহান বিশ্বত।

( মিলন )

এই সংগ্ৰহত 'একেটি ঘৰ' আৰু 'দুটি মানুহ' বুলি দুটি সৰু ৰূপক কবিতা আছে। কেৱল বুদ্ধিৰ জীৱন যে (intellectual life)

অন্তৰ প্ৰকাশৰ বিৰোধী, প্ৰথম কবিতাত তাকে ৰূপকৰ সহায়েৰে দেখুৱা হৈছে যেন লাগে; দ্বিতীয়টিয়ে বেদৰ—

'দ্বা সুপৰ্ণা সযুজা সখায়া সমানং বৃক্ষং, পৰিষস্বজাতে' লৈ

আৰু ৰবীন্দ্ৰনাথৰ 'দুটি পাখী'লৈ মনত পেলায়।

কবিয়ে দাৰ্শনিক তত্ত্বৰ প্ৰণালীবদ্ধ ব্যাখ্যা নকৰে; তেওঁ দাৰ্শনিক তত্ত্ববোৰ কি দৰে কবিতাত ব্যক্ত কৰে সেইটোহে মন কৰিব লগীয়া। এই হিচাবেও বৰকাকতী ডাঙৰীয়াৰ কবিতাৰ দান অতি সামান্য নহয়।

'ৰবীন্দ্ৰদৰ্শন' কবিতাত বৰকাকতী ডাঙৰীয়াই বিশ্বকবি ৰবীন্দ্ৰনাথক 'বৈকুণ্ঠবিহঙ্গ' আখ্যাৰে শ্ৰদ্ধাঞ্জলি দিছে। বৰকাকতী ডাঙৰীয়াৰ কবিতাত ৰবীন্দ্ৰনাথৰ প্ৰভাৱ কিছু পৰিমাণে ধৰিব পাৰি। বৰ্ত্তমান জগতৰ ভিতৰত, ঘাইকৈ ভাৰতীয় প্ৰাদেশিক ভাষাবিলাকৰ ভিতৰত শ্ৰেষ্ঠ কবিয়ে প্ৰভাব বিস্তাৰ কৰা অতি স্বাভাৱিক। ৰবীন্দ্ৰনাথৰ কবিতাত পূব-পশ্চিমৰ সংযোগৰ ফলত যি এটি নতুন সুৰ বাজি উঠিছে, সি এটি অপূৰ্ব্ব বস্তু, আৰু অনুকৰণৰ যোগ্য। তথাপি, বৰকাকতী ডাঙৰীয়াৰ প্ৰকাশৰ ৰীতি সম্পূৰ্ণ স্বাধীন।

ভাব, ভাষা আৰু ছন্দ সকলো ফালৰ পৰাই বৰকাকতী ডাঙৰীয়াৰ **শেৱালি** বৰ্ত্তমান যুগৰ অসমীয়াৰ সাহিত্যলৈ এটি মোহন উপহাৰ।

যোৰহাট,
১ জুলাই, ১৯৩২।

**শ্ৰীৰজেশ্বৰ শৰ্ম্মা**, এম্, এ,
ইংৰাজী সাহিত্যৰ অধ্যাপক,
যোৰহাট কলেজ।

THE NABIN BARDOLAI HALL LIBRARY
JUL 1960

## ২য় তাঙৰণৰ পাতনি

২৫ বছৰৰ মূৰত 'শেৰালি' আকৌ পোহৰলৈ ওলাল। শেৰালি ফুল বোলে বাহী নহয়—আগদিনা ৰাতিয়েই সৰি পিছদিনা ঘূৰি গোসাঁইত লাগে। অসমীয়া কাব্য সাহিত্যৰ বহু গুণী, জ্ঞানী ৰসজ্ঞৰ মতে বহু বছৰ আগৰ এই গীতি-কবিতাৰ সংকলন 'শেৰালি'ও বোলে বাহী হোৱা নাই; তেওঁবিলাকৰ মতে 'শেৰালি' এতিয়াও সৰস্বতী পূজাৰ যোগ্য হৈয়ে আছে বুলি জানিব পাৰি ৰচয়িতা স'চাকৈয়ে গৌৰৱানন্দত উৎফুল্ল। তেওঁৰ 'শেৰালি' আৰু তাৰ পিছৰ 'চন্দ্ৰহাৰ'ৰ (গ্ৰন্থ হিচাপে এতিয়াও অপ্ৰকাশিত) সন্ধিক্ষণতে ওলোৱা 'ছয়াময়া'কে ধৰি 'হেৰোৱা চৰাই'লৈকে আৰু আঠোটি কবিতা শেৰালিৰ এই তাঙৰণত আগৰ ৭২টি কবিতাৰ লগত যোগ দি মুঠ ৮০টি কবিতা কৰি দিয়া হল।

এতিয়া শেৰালিয়ে এই বৰ্দ্ধিত ৰূপত পাঠক-পাঠিকা সকলৰ আৰু মনোৰঞ্জন কৰিব পাৰিলেই 'শেৰালি' বাহী নহৈ গোসাঁইত লগা হৈছে বুলি জানি কৃতাৰ্থ মানিম। ইতি

| | |
|---|---|
| নগাওঁ | বিনীত |
| ৭ জুলাই, ১৯৫৯ | গ্ৰন্থকাৰ |

THE NABIN BARDOLAI HALL & LIBRARY
JUL. 1960

# পাতনি

ব্ৰহ্মপুত্ৰৰ বানপানীৰ দৰে কবিতাৰ কল্লোলত গোটেইখন অসম ঢৌৱাই খলকনি লগাবৰ প্ৰবল বাসনা এটা বুকুত পুহিছিলোঁ সৰু কালৰে পৰাই, কিন্তু আজি ভৰ বয়সত ভাবি দিয়ো দেখিছোঁহি কবিতাৰ ঠাওনি নোপোৱা সেই ৰসৰ জল-কল্লোলৰ ঠাইত জীৱন গোটেইটো শুকাই লুইতৰ শুকান বালিৰ চৰ হৈ পৰিল; বাস্তৱ জীৱন আৰু ভাব জীৱনৰ সম্পূৰ্ণ বিপৰীত অৱস্থাৰ হেঁচাৰ বালিয়ে ঢাকি থোৱা এই জীৱন-মৰুত অন্তঃসলিলা ফল্গুৰ দৰে বৈ থকা হৃদয়-সলিলৰ, মাজে সময়ে থাকিব নোৱাৰি খুচৰি দিওঁতে বিৰিঙি উঠা, সেই বিন্দু বিন্দু সলিল-বিন্দুবিলাকৰে কিছুমান গোট খুৱাই বহুদিনৰ মূৰত বহুতৰ অনুৰোধ আৰু নিজৰো আধামৰা আধাজীয়া হেঁপাহত ৰাইজৰ আগলৈ উলিয়ালোঁ, মাতৃভাষাৰ কবিতা কুঁৱৰীৰ কপালত এটা সেন্দুৰৰ ফোঁট মৰো দিওঁ বুলি। যদি এই সেন্দুৰৰ বিন্দুতে কোনো ৰসগ্ৰাহীয়ে মোৰ অব্যক্ত কল্পনা-সিন্ধুৰ আভাস পায়, তেনে হলেই ইয়াৰ মৰ্য্যাদা আছে বুলি বুজিম, নতুবা "জায়ন্তেচ ম্ৰিয়ন্তেচ মম্বিধাঃ (এই খিনিতে "এমম্বিধাঃ") ক্ষুদ্ৰজন্তবঃ" এই বুৰবুৰণি উঠিল আৰু মৰিল।

এই কবিতাবিলাক "ঊষা", "আলোচনী", "বাঁহী", "চেতনা" আৰু "মিলন" কাকতত প্ৰকাশ হৈছিল, এই খিনিতে সেই সেই কাকতৰ সম্পাদকসকলৰ প্ৰতি কৃতজ্ঞতা জনালোঁ।

ইতি

নগাওঁ, অসম
১৫ জেঠ, ১৮৫৪ শক।

শ্ৰীৰত্নকান্ত বৰকাকতী

## উছৰ্গা

মোৰ চিৰ লগৰী
শ্ৰীমতী প্ৰেমলতা বৰকাকতীৰ
কৰ কমলত

প্ৰেম,

আবেগৰ বতাহত এই জীৱনৰ
তুমি আহি পৰাৰ আগতে,
লৰিছিল কলাপাত আগলি প্ৰেমৰ
কাক বাৰু ধিয়াই সততে?

তৰাৰ স্বৰ্গীয় জ্যোতি দূৰ আকাশৰ
ধৰাৰ মধুৰ প্ৰীতি-ফুল
লগলাগি সকলোৰে দিনেৰাতি মোক
কৰিছিল কিয় বিয়াকুল?

অৰ্ঘ তাৰ তুমি যদি আধা, মোৰ এই
জীৱনৰ অনন্ত-বিভোল,
পূৰ্ণ ক'ত বিচাৰি বিচাৰি, যাওঁ আহাঁ
দুয়ো লই প্ৰেম-পূজা-ফুল!

গ্ৰন্থকাৰ

# সূচী


| বিষয়। | পিঠি। |
|---|---|
| ১। শেৱালি | . |
| ২। সৰা ফুল | ১ |
| ৩। চন্দ্ৰবদন | ২ |
| ৪। ধাৰ্উতি | ৩ |
| ৫। কণ্টক | ৪ |
| ৬। চকুলো | ৪ |
| ৭। ভাইটি | ৫ |
| ৮। দুদিন আহে যায় | ৭ |
| ৯। প্ৰেমতত্ত্ব | ৮ |
| ১০। তুমি | ১০ |
| ১১। যদি | ১১ |
| ১২। তেও | ১২ |
| ১৩। তোমাৰ পৰশ | ১৩ |
| ১৪। সি দুটি চকু | ১৫ |
| ১৫। প্ৰশ্ন | ১৬ |
| ১৬। সান্ত্বনা | ১৮ |
| ১৭। ওঁঠৰ মিলন | ১৮ |
| ১৮। আত্মাৰ মিলন | ১৯ |
| ১৯। উপহাৰ | ১৯ |
| ২০। তেতিয়া | ২০ |
| ২১। ৰাগি | ২২ |

| বিষয়। | পিঠি। |
|---|---|
| ২২। জীৱন জেউতি | ২৩ |
| ২৩। নাই যে নাই | ২৪ |
| ২৪। বিশ্ব হৰণ | ২৪ |
| ২৫। সকীৰ্ত্তন | ২৭ |
| ২৬। সৰ্ব্বৰূপত | ২৮ |
| ২৭। মোৰ পূজা | ৩০ |
| ২৮। অমৃত | ৩২ |
| ২৯। মূৰ্ত্তি পূজা | ৩৫ |
| ৩০। অনুসন্ধান | ৩৬ |
| ৩১। মহিমা | ৩৭ |
| ৩২। শিলাৰূপ | ৩৮ |
| ৩৩। পূৰ্ব্বস্মৃতি | ৩৯ |
| ৩৪। সুন্দৰ | ৪১ |
| ৩৫। ছবি নে কবি | ৪৬ |
| ৩৬। অভাব | ৪৮ |
| ৩৭। ভাল পোৱা | ৪৯ |
| ৩৮। ভাব | ৫১ |
| ৩৯। চিৰ সুন্দৰ | ৫২ |
| ৪০। পৃথিবীৰ প্ৰতি চকোৰা | ৫৩ |
| ৪১। কবিৰ স্থান | ৫৫ |
| ৪২। কবীন্দ্ৰ ৰবীন্দ্ৰ দৰ্শন | ৫৮ |
| ৪৩। উৰ্ম্মিলা | ৫৯ |
| ৪৪। শকুন্তলা বিদায় | ৬২ |
| ৪৫। স্বৰ্গীয় চন্দ্ৰনাথ শৰ্ম্মা | ৬৪ |
| ৪৬। তাজমহল | ৬৯ |

| | বিষয়। | পিঠি। |
|---|---|---|
| ৪৭। | ঘৰ জেউঁতি | ৭০ |
| ৪৮। | ধৰাপৰা | ৭২ |
| ৪৯। | অৰ্ঘ্য | ৭৪ |
| ৫০। | শুকতৰা | ৭৫ |
| ৫১। | বাঁহী | ৭৬ |
| ৫২। | কবিৰ চিন্তা | ৭৭ |
| ৫৩। | উন্মনা | ৭৮ |
| ৫৪। | পদুলি মুৰত | ৭৯ |
| ৫৫। | কোনি | ৮১ |
| ৫৬। | উদাসী | ৮২ |
| ৫৭। | কিয় | ৮৩ |
| ৫৮। | প্ৰশ্ন | ৮৪ |
| ৫৯। | উত্তৰ | ৮৫ |
| ৬০। | বিৰহৰ গৌৰৱ | ৮৭ |
| ৬১। | একেটি ঘৰ | ৮৮ |
| ৬২। | দুটি মানুহ | ৮৯ |
| ৬৩। | ক্ষুদ্ৰৰ অধিকাৰ | ৯১ |
| ৬৪। | লুকাই লুকাই | ৯২ |
| ৬৫। | মুক্তি | ৯৩ |
| ৬৬। | প্ৰকাশ-বাধা | ৯৪ |
| ৬৭। | কিজানি নহয় ভুল | ৯৫ |
| ৬৮। | সাধনাৰ স্বৰ্গ | ৯৮ |
| ৬৯। | মিলন | ১০০ |
| ৭০। | নীৰৱ বীণা | ১০২ |
| ৭১। | বাঁহী | ১০৩ |

বিষয়।　　　　　　　　　　　　　　　　　　　　　　　পিঠি।


৭২। মহাত্মা ১০৪

৭৩। সত্য ১০৫

৭৪। ছাঁয়াময়া ১০৬

৭৫। সূৰ্য্যাস্তৰ পূৰ্ব্বে ১০৮

৭৬। দূদণ্ডৰ কুসুম লাৱণ্য ১০৯

৭৭। ফুলৰ/চাকি ১১১

৭৮। ফুল-শয্যা ১১২

৭৯। বৰ্ষিবা ১১৩

৮০। সৌন্দৰ্য্য ১১৪

৮১। হেৰোৱা চৰাই ১১৭



THE NABIN BARDOL... HALL & ...
GAUHATI

# শেৱালি

এই জীৱনৰ
"শেৱালি বনৰ
মনৰ যতেক কামনা",
চাওঁতে চাওঁতে
ফুলিল, সৰিল
কতনো ভাবৰ ভাবনা।
কতনো ছিন্ন
আশাৰ মুকুল
পৰিল ধূলিত [illegible],
কতনো ভিন্ন
ভাবৰ কুসুম
সৰিল কলিতে আহৰি!

* * *

ফুলিল, সৰিল
মহিমাত যাৰ
ফুলাৰ সৰাৰ নিতকে
হাঁহি-কান্দনৰ
বতাহত ঢউ
খেলিব, [illegible] পলকে;
উদ্দেশি সেই
নিৰুদ্দেশ কোন
ময়াপাদেৰ,
সৰি পৰা মোৰ
শেৱালিয়ে আজি
কৰিছে সেৱ!

# শেৱালি

## সৰাফুল

বন ফুল ফুলি উঠি
কাননত হাঁহে,
মোৰ মনফুল নুফুলিয়ে'
আবেগত ভাহে!

সৰসীৰ শতদল
তল্ মল্ কৰে,
মোৰ মানসীৰ চকুজল
অকাৰণে পৰে!

তৰা-ফুলে আকাশেদি
সসীমক সাজে,
মোৰ সৰাফুলে হৃদয়েদি
অসীমত ৰাজে!

(১৯১৬ খৃঃ)

# চন্দ্ৰবদন

মায়ে কি কেৱল
জোনত পাগল
আবাধি জোনৰ
বদন-সুধা,

মেঘৰ আঁৰত
জোনেনো কিহত
হাঁহিছে তেন্তে
লুকাই-আধা ?

হেঁপাহ চকুৰে
মই একেথৰে
জোনলৈ চাই
যেতিয়া যাওঁ,

জোনেওতো মোক
খেলি লুক ভুক্
চাই চাই লৰি
যোৱা, দেখা পাওঁ।

( ১৯১৭ খৃঃ )

# ধাউতি

মোৰ—ধাউতি মিচিকি হাঁহি
আধা ফুলা ফুল পাহি,
এষাৰি সাদৰী মাত
ভাবতে লুকোৱা ভাহি;
এক্ষন্তেক দৰিশন
বিজুলীৰ ছ'য়া ময়া,
তিতা থাই বিৰহৰ
মিলন অমিয়া পিয়া।
মোৰ—ধাউতি ৰূপহী জোন
মেঘৰ আঁৰত জ্বলা,
মধুৰ ছবিটি চাই
আবুৰতে লীলা খেলা;
মোৰ—ধাউতি দৰ্শন পাওঁ
কাঁইটেৰে বেৰা ফুল,
ছুম নে নুছুম কই
কৰি থাকোঁ আলফুল;
মোৰ—ধাউতি প্ৰাণৰ আৰু
লুকোৱা মাধুৰী
নুশুনা সুৰতো শুনো
গীতৰ লহৰী।

(১৯১২ খৃঃ

## ক্ষন্তেক

ক্ষন্তেক মাথোন দেখা
বিজুলীৰ প্ৰভা,
ক্ষন্তেক মাথোন লগ
মিলনৰ শোভা,
ক্ষন্তেক মাথোন হায়
চকু চোৱা চুই
প্ৰাণ মন হই যোবা
এক, গুচি দুই।

(১৯১১ খৃঃ)

## চকুলো

চকুলো প্ৰিয়ৰ গ'ল
যি ধাৰি বাগৰি
বৰ্ণনা অতীত সি যে
প্ৰাণৰ লহৰী।
নোহে সি মুকুতা ৰূপ
কামিনী কণ্ঠৰ,
নোহে সি মাধুৰী ফুল্ল
কুসুম প্ৰাণৰ,
নোহে সি ভাষাৰ গীত
বীণাৰ সুস্বৰ,
নোহে সি কোকিল কণ্ঠ
মধু বসন্তৰ;

শব্দ শূন্য গান সি যে
বাজে হৃদয়ত,
এটুপি চকুলো অহ
নহয় বেকত
সৌন্দর্য্য আপুনি আহি
নয়নত খেলে,
স্বর্গীয় মাধুৰী আহা
পানী হই বলে,
নতু এবি স্বৰ্গপুৰী
মন্দাকিনী ধাৰা,
বই যায় চকুৰেদি
হই আত্মহাৰা।
নতু আৰু কিনো বাৰু
থাকোঁ গুণি গঁপি
প্রণয়ৰো প্রত্যুত্তৰ
চকুলো এটুপি।

(১৯১৩ খৃঃ)

## ভাইটি

ভাইটি পদুম মোৰ
একেই তেজৰ
মোৰ একে মঙহৰ,
যতুঁজ পাতিছিলি তই

মোৰ স'তে কত
হায়, ভীম অৰ্জ্জুনৰ;
·গ্ৰু ভাবিছিলোঁ তোক
ময়োতো সোণাই
অই যুজোঁতে সদায়,
আজিহে বুজিলোঁ সোণ
তোৰ সম মিত্ৰ
আৰু কোনো মোৰ নাই।
আজিহে বুজিলো সোণ
ফাঁকি দি আছিলি অই
তই মোৰ কোন
পূৰ্ণিমাৰ জোন?
জোন গ'লে পূৰ্ণিমাৰ
ওলায় আকৌ ঘূৰি,
তই গলি পুনু মোৰ
নোলালি যে সোণ।
জীৱনৰ সিপাৰত
ওলাব এদিন যদি
ডিঙিতে সাবটি ধৰি
চুমা এটি খাম,
ইপাৰৰ যুঁজ-বাজ
নকৰোঁ নকৰোঁ আৰু
পদুম মুখখনি তোৰ
হিয়া ভৰি চাম।

(১৯১৮ খৃঃ)

# দুদিন আহে যায়

এদিন ধূলিত লেটি লই খেলিলোঁ ধূলিৰ খেলা
ধূলিৰ ঘৰ ধূলিৰ বাৰী
ধূলিত আপোন ভুলা
ধূলিৰ ঘৰ ধূলিৰ বাৰী
চাওঁতে চাওঁতে ধূলিৰ ঘৰ ধূলিৰ বাৰী
ধূলিত বিলীন হ'ল.
আপোন ভুলা ধূলিৰ খেলা
কবিৰ কথাত ৰ'ল। ·

এদিন হঠাৎ মধুৰ হাৰাত
উঠিল প্ৰণয় জাগি
মধুৰ আশা মধুৰ ভাষা
হাৰায় হাৰায় লাগি:
চাওঁতে চাওঁতে. হাৰাৰ আশা, হাৰাৰ ভাষা
হাৰাত বিলোপ পালে,
প্ৰণয় মধু প্ৰাণৰ তানে
নীৰব বিদায় গালে!

*

এদিন বলে খ্যাতিৰ নদী সুদিন বাৰিষা পাই,
চাওঁতে চাওঁতে কুদিন গ্ৰীষ্মে শুকালে তেনেই হায়!
ইদৰেতো এদিন দুদিন দুদিন পাচে
সকলোৰে লয় পায়,
সুদিন কুদিন জগত দুদিন
দুদিন আহে যায়।

তেন্তে কিয় হৃদয় ইমান ব্যাকুল প্ৰুৰি মৰি,
ধূলিৰ খেলা হাৰাৰ প্ৰেম দুদিন থ্যাতিক ধৰি;
মিছাতে আচল ভুলি ধূলিৰ জগত
ধূলিত বিলীন হয়,
সুদিন কুদিন জগত দুদিন
দুদিন আহে যায়!

(১৯১০ খৃঃ)

## প্ৰেমতত্ত্ব

( Shelleyৰ Love's Philosophyৰ ভাঙনি )

নিজৰা মিলিছে
নইৰ জগত
মিলিছে গই
নই সাগৰত,
পৱনে পৱনে
মিলিছে নিতউ
আবেগ-ভৰা
মধু মৰমত।
নাই জগতত
কোনো অকলই
ইটো সিটো মিলে
বিধিৰ বিধান,
নিমিলি মইনো
তোমাৰে সৈতে

অকলই লই
থাকিম নে প্ৰাণ?
সউ চোৱা গিৰি
চুমিছে আকাশ
ঢৌৱে ঢৌৱে চুমি
পাৰিছে ঢলি,
কোনে ন্‌দ্‌ৰষিব
ভনী ফ্‌লটিক
ভাইটিক যদি
থাকেঁহে ভুলি?
বেলিৰ পোহৰে
চুমিছে ধৰণী
জোনৰ জোনাকে
সাগৰ—চোৱা,
তুমি যদি মোক
ন্‌চুমাহে সখি
ইবোৰ চুমাৰ
কি ফল কোৱা?

(১৯১৪ খৃঃ)

# তুমি

তুমি কি প্ৰিয়
নুমুজো কিয়
নোৱাৰো ধৰিব
লুকোৱা কেনি ?

তুমি কি মেঘৰ
বিজুলী লহৰ
সাগৰ-ঢউ
ফুলৰ ঘ্ৰাণ
'কুহুৰ' ধ্বনি ?

নতু আকাশৰ
লতা-সুবৰ্ণৰ
পৰিছিলা ধৰা
আহোঁতে নামি,

লুকাই পুনৰ
হলা অগোচৰ
স্নেহৰ লতাটি
স্নেহতে পমি।

নতু কি হিয়াৰ
আকুল চিয়াঁৰ
ব্যাকুল হই
বাহিৰত গই
ভ্ৰমিছা তুমি,

বসন্ত বতাহ
অনন্ত হুতাহ
মিহলাই লই
জুই জ্বালি গই
আকাশ চুমি?

(১৯১৮ খৃঃ)

## যদি

যদি তুমি হোৱাহলে
পদুম এপাহ,
মই যদি ৰিব্ ৰিব্
মলয়া-বতাহ;
ধীৰে ধীৰে গই ধৰি
চকুটি মুদাই,
কৰিলোঁহেতেন স্নেহ
শত চুমা খাই।

যদি তুমি হোৱা হলে
ভেঁট ফুল এটি,
মই যদি চন্দ্ৰমাৰ
কিৰণ-এছাটি,
ঢালিলোঁহেতেন গই
অমিয়া কিৰণ

হাঁহিলাহেতেন পাই
প্ৰেম আলিঙ্গন।

যদি তুমি হোৱা হলে
চাতকী পখীটি,
মই যদি জলধৰ
শ্যামল মূৰতি;
উৰি ফুৰি আকাশত
ঢালি ধাৰাসাৰ,
কৰালোঁহেতেন পান
প্ৰেম-পাৰাবাৰ।

(১৯১২ খৃঃ)

## তেও

বাৰু, মই হওঁ যদি
পদুম এপাহ,
তুমিও এবাৰ আহি
শত চুমা খোৱা যদি
হই বাৰু ৰিব্ ৰিব্
মলয়া বতাহ;
পলাব নে তেও তব
প্ৰাণৰ হেপাহ?

আৰু বাৰু হওঁ যদি
ভেঁট ফুল এটি,

তুমি যদি চন্দ্ৰমাৰ
হই মৃদু সুধাধাৰ
আবেগ অন্তৰে মোক
ধৰাহি সাৱটি,
অতৃপ্ত প্ৰেমৰ তেও
হব নে তৃপিতি?

বান্ধু, মই হওঁ যদি
চাতকী পখীটি,
তুমি যদি আকাশত
উৰি ফুৰি বতাহত
হই শ্যাম জলধৰ
ঢালা ধাৰাসাৰ,
পাবিব নে অন্ত তেও
প্ৰেম পাৰাবাৰ?

(১৯১২ খৃঃ)

## তোমাৰ পৰশ

পুলক ভৰা
চৰাইৰ গান
নালাগে মোৰ
সিমান ভাল,

সকলো চৰাইৰ
গানৰ গান
তোমাৰ মাতত
পাওঁ যি তাল।

আলোক সৰা
তৰাৰ মুখত
পোহৰ মই
নাপাওঁ তেনে,

অশ্রু-ক্ষৰা
তোমাৰ চকুত
হৃদয় হৰা
জেউতি যেনে।

বিশ্ব জগত
নতুন কৰা
—বসন্তত
নুফুলে ফুল,

তোমাৰ পৰশ
—তড়িৎ লাগি
যৌৱন খেনে
ব্যাকুল হল।

(১৯১৯ খৃঃ)

# সি দুটি চকু

মনে যাক চিনে চকুৱে চিনায়
সেইহে হবলা
তোমাৰ চকুত
ইমান মউ?

বতাহ হলেই নফুলেতো ফুল
বসন্তৰ বা'
লাগিলে ফুলৰ
উঠে যি ঢউ!

সকলো চকুতে নাইতো উল্লাস
সকলো তৰাৰে
সমান শোভা
নভত সউ,

নাইতো অমিয়া সকলো ওঁঠতে
পাৰে যি তুলিব
দুটি পৰাণত
একেটি ঢউ।

মনে মোৰ মাথো চিনিছে তোমাৰ
যি দুটি দিব্য
চিৰ হেঁপাহৰ
হৰিণ চকু,

দুইটি পৰাণ এটি হই য'ত
উঠিছে বিশ্ব
হাঁহিৰ পুলক
খলকি বুকু।

অমৃত তাতে উঠিছে উথলি
নন্দন বন!—
মধুপ ই মোৰ
তৃষিত হিয়া,

গুণ্ গুণ্ গাই হে প্ৰিয় তোমাৰ
সি দুটি চকুৰ
মোহ-মদিৰাত
মৰিব দিয়াঁ।

(১৯২০ খৃঃ)

## প্ৰশ্ন

তোমাকে যে মোৰ দৰে
আগুৰি পিগুৰি ধৰে
লাজ ওৰণিয়ে?
সেই দেখিয়ে নে
ৰই দূৰে দূৰে
বেঁকাই চোৰা
নোচোৰা কৈয়ে?
সেই দেখিয়ে নে
ভৰপূৰ বুকু
ভাগৰি পৰি
ওঁঠত হাঁহিৰ
উজুটি খায়?

সেই দেখিয়ে নে
চকুত চকু
পৰিলে এবাৰ
'ধৰা পৰো' বুলি
চমকি যায়?
সেই দেখিয়ে নে
নখে মাটি লেখা
খোজ লই লই
কিবা ভাবি গই
কিবাটি কৰা?
সেই দেখিয়ে নে
নেদেখাই দেখা
উদুলি মুদুলি
প্ৰেম-পদুলিত
থমক ধৰা?
সেয়ে যদি হয়
নালাগে অধিক
নালাগে আৰু মোৰ
ভাবনা নাই,
ভাবি ভাবি মাথোঁ
ওপাঙি যাম
চুকিয়ে নোপাৱা
আকাশ চাই।

(১৯১১ খৃঃ)

## সান্ত্বনা

ভাল পায় নে নাপায়
সুধি কাম নাই
নুসুধিবি হায়
টুকি চকু পানী।
ঢিমিক্-ঢামাক্ পোহৰ ছাটি
জ্বলিছে যে হায়
তাকো উলিয়াই
নুনুমাবি
বতাহত আনি।
তৰুণ ওঁঠৰ কৰুণ হাঁহিটি
অৰুণ মেঘৰ মাজেদি
তাকে সাক্ষী কৰি ৰবি বিভাবৰী
সংশয় ছেদি মনেদি।

(১৯২১ খৃঃ)

## ওঁঠৰ মিলন

সি দুটি ওঁঠৰ বাঙলি আভাত
বাগৰি পৰিছে যি
সুধাৰ লহৰ;
(যেন) উষাৰ পোহৰ
অমানিশা ভেদ কৰি
মোৰ বিৰহৰ,

জ্বলাব নে সিয়ে আজি
মিলন তপন,
মুগ্ধ কৰি দগ্ধ কৰি
জীৱন যৌৱন!

(১১১৭ খৃঃ)

## আত্মাৰ মিলন

আত্মাই মিলিব খোজে মোৰ
তোমাৰ আত্মাৰে
নোৱাৰে ধৰিব লগ, ঘনে
মায়াই আগুৰে।
সেইহে কান্দে মোৰ 'প্ৰতি অঙ্গ
তৱ প্ৰতি অঙ্গ' লই,
দেহৰ মিলনে মাতে, স্তব্ধ
আত্মাৰ মিলন ৰৈ ৰৈ।

(১১১৮ খৃঃ)

## উপহাৰ

উপহাৰ বাবদ কি দিম প্ৰিয়!
তুমিম কিহেৰে নোকোৰা কিয়
উপহাৰ মোৰ
ৰঙা হিয়াখনি

বাগুলি সন্দায়
তোমাকে খিয়াই
জলাই তোমাৰে বিৰহ জুই,
তাৰো তাপ যদি নোৱাৰো স'ব
পুৰি পুৰি নিজে ছাই হৈ যাব,
তেঁতিয়ানো বাৰু
লবা উপহাৰ
দেই পুৰি যোৱা
ক'লা ছাই হোৱা
হিয়া মোৰ এই কিহেৰে ধুই ?

(১৯১৮ খৃঃ)

## তেতিয়া

নাছিল ধুমুহা নাছিল বতাহ
আছিল থিৰ,
তেতিয়া জীৱন মৃদুল মধুৰ
বায়ুত ধীৰ।

*

এনেতেই তুমি উদিলা যে হাঁহি
ক'ব পৰা যেন বতাহত ভাঁহি
ক'ৰ পৰা কিয় নজনা কই
গালাহি গান ?
অকস্মাৎ কিয় বিজুলী মাৰি
কঁপালা প্ৰাণ ?

তোঁতিয়া কৈশোৰ প্ৰশান্ত সাগৰ
জোৱাৰ নষ্ট
এনেতেই তুমি আহি অকস্মাৎ
তুলিলা ঢউ।

*

অকস্মাৎ যেন ওলালা জোনাই
থউকি বাথউ পৰাণ নচাই
শত শত ঢউ তুলি দি হিয়াত
পাতিলা কেলি,
ঢোৰে ঢোৰে কত হাঁহিলা নাচিলা
মদিৰা ঢালি!
চাওঁতে চাওঁতে ইকি ছয়াঁ-ময়া
অকস্মাৎ কিয় দেখোঁ নাইকিয়া,
লুকাই লুকাই লুটিলা জীৱন
টুটিল হিয়া,
উঠিল যিখিনি সপোনৰ দৰে
ওপাঙ যোৱা।

*

যদিহে সপোন ওপাঙ যোৱা
কিয় তেনে ৰাৰু হেৰাল হিয়া?
কিয় তেনে পুনু উৰ্চলি উৰ্চলি
পিছলে প্ৰাণ?
উটি বুৰি কিয় নিজতেই হায়
হেৰাই জ্ঞান?

নিজতে নিজৰ ইকি যে ভুল
উটি বুৰি প্ৰাণে নাপায় কূল,
নেদেখে একোকে জগত সংসাৰ
দিন নে ৰাতি,
জোন বেলি তৰা নাই বসুন্ধৰা
ন্দ্ৰমায় জ্যোতি।

(১৯১০ খৃঃ)

## ৰাগি

মোৰ—লাজুক হিয়াৰ
কুমুদ কুসুম
ফুলিল মেলি শতেক পাহি;
তোমাৰ চকুৰ
স্নিগ্ধ কোমল
লাগি পৰশ জোনাক হাঁহি।
নন্দনৰ মন্দাৰ হাৰ
মোৰ ডিঙিত তোমাৰ বাহুৰ ভাব;
তোমাৰ চুমাত নামিল সুধা
সৰগ ভাগি,
জীৱন জুৰি লাগিল আহা
তাৰেই ৰাগি।

(১৯২০ খৃঃ)

# জীৱন জেউতি

অন্তৰৰ অনন্ত প্ৰেম
বুজাওঁ কিমতে,
নোহেতো ঐশ্বৰ্য্য হেম
দেখাওঁ কি সতে;
হোৱা হলে এটি ফুল
সুগন্ধে আমোল্ মোল্
ছিঙি দি পিন্ধালোঁ হয়
তোমাৰ খোপাত ফুল।
হোৱা হলে হৃদয়ৰ সুখ
মিচিকি হাঁহিৰ মুখ,
দেখিলোঁ হেতেন নিতে
নাই ক্লেশ, নাই দুখ।
হোৱা হলে হিয়া-ভগা দুখ
নিৰাশ, বিষন্ন মুখ,
বুজিলাঁহেতেন, দেখি
নাই শান্তি, নাই সুখ।
ই যে নোহে সুখ
নোহে দুখ
অন্তৰৰ অনন্ত ধাউতি,
প্ৰদীপৰ দৰে মাথোঁ
পুৰি পুৰি
জ্বলি যোৱা জীৱন জেউতি।

## নাই যে নাই

অতদিন হায় অতনা জপিলো
　　　একোতো নাপালোঁ
　　　ধ্যানৰ দেৱতা
　　　নোলাল কেওঁ,
　　　—নাই যে নাই,
অধ্ৰুৱ জগত ধ্ৰুৱক ধিয়াই
　　　ভাগৰি জুৰি
　　মিছায়ে হয় নে ছাই ?
অন্তৰৰ মোৰ বৰাগী গায়
　　　'আৰু যে নাই'
　সেই পুৰি পিচে
　　　হয় নে এনেই ছাই ?
　'আৰু নাই যে নাই'।

(১৯২১ খৃঃ)

## বিশ্ব হৰণ

তেতিয়া যদিও নাছিলা তুমি
　　ৰূপৰ চমকে চমকাই চকু,
　আছিল তেতিয়া
　　　সুন্দৰ মোৰ
　জোন বোল তৰাই
　　　　জুৰাই বুকু।

আছিল আকাশ
মুকলি হই
মোকেই সদায়
কোলাত লই
বতাহে দিছিল চুমা,
গাইছিল নৈয়ে
কুলু কুলু গান
মোৰেই লগত
ধৰি সম তান;
নাছিল সুখৰ সীমা।

মোকেই চাই
হিয়া বিয়াকুল
হাঁহিছিল কত
প্ৰভাতৰ ফুল,
নিশা কান্দিছিল তৰা,
যেই পিনে চাওঁ
সেই পিনে দেখোঁ
মোৰেই সকলো
মোৰেই মাথোঁ;
মোৰেই বসুন্ধৰা।

যিদিন হন্তে
চকু চাঁট মাৰি
তুমি উজলিলা
মোৰ,

সেই দিন ধৰি
  যেন নিজা হবি
  তিল্ তিল্ কৰি
   সজালো তোৰ।

তিল্ তিল্ কৰি
  হৰিলা বিশ্ব,
তিলোত্তমা হই
  কৰিলা নিঃস্ব,
কাঢ়িলা জোনৰ
   মুখ,
আকাশৰ কোলা
  কৰিলা উদং
বতাহৰ নিলা
  মনৰ ৰং
  নৈৰ নজলা
   সুখ।

ফুলৰ হৃদয়
  কৰিলা হৰণ
লুটিলা তাৰ
   লাৱণ্য বৰণ
  তৰাক পেলালা
   জঁয়;
হৰিলা বেলিৰ
  হিৰণ কিৰণ

[illegible] বিৰাট
[illegible]-হৰণ
আৱ[illegible] কি প্ৰাণত
[illegible]য়?

(১১১৪ শক)

& LIBRARY
JUL 1960
GAUHATI

## সকীয়নি

মোক যে সদায় সকীয়াই থাকে
'প্ৰকৃতি' খনে,
তোমাক নো একো বাৰ্তাৰ তাৰ
নিদিয়ে নে?
নকৰে তোমাক বকুলে আকুল
তোমাৰ মনত বনৰ ফুল
নাহাঁহে এদিনো লগাই ভুল?
নাগায় কোকিলে গান?
জোনৰ মধুৰ হাঁহিৰ ৰেখা
মেঘৰ আঁৰেদি নোপোৱা দেখা
নজলে বিজুলী আবেগ লেখা
—নকঁপে তবাৰ প্ৰাণ?
মোক যে ইমান সকীয়াই থাকে
প্ৰকৃতি খনে,
তোমাক নো তাৰ বাৰ্তাৰ একো
নিদিয়ে নে?

নিমিলে চকুত তৰুৰে লতা
নকয় বতাহে গোপন কথা,
প্ৰাণে প্ৰাণে যে উভয়ে গঁথা
নাবায় তটিনী বই ?

সুদূৰ আকাশ ঊৰ্দ্ধে থমকি
নীৰৱ গিৰিয়ে ৰিণিকি জিলিকি
নকৰে তবধ অলপো নেকি
নাবাজে বুকুত গই ?

মোক যে ইমান
ব্যাকুল কৰিছে
চৰাচৰে হায় দিবস ৰাতি,
তুমিহে তাৰ
নোপোৱা উমান
নুশুনা বিৰাট বিশ্বগীতি ?

( ১৯১৬ খৃঃ )

## সৰ্ব্বৰূপত

এতিয়া নাই আকাৰ তোমাৰ
সৰ্ব্ব বিয়পি গ'লা,
সৰ্ব্ব ৰূপতে এতিয়া তোমাক
পিন্ধাম ভিঙিৰ মালা।

সউ নীলিমাৰ মাধুৰী মুখত
এতিয়া তোমাৰ পাম দৰিশন,
মধু বসন্তৰ মৃদুল হিল্লোল
পশিব তোমাৰ প্ৰিয় পৰশন।

*

কুলু কুলু সুৰে যাব নইঁ বই
গাই যে তোমাৰ গান,
ফুলোঁ ফুলোঁ ফুলে দিব যে এতিয়া
মৰমৰ সেই মধুৰ দান।

*

এতিয়া নাই আকাৰ তোমাৰ
সৰ্ব্ব বিয়াপি গ'লা
সৰ্ব্ব ৰূপতে এতিয়া যে তুমি
আকউ মোৰেই হ'লা।

*

সৰ্ব্ব ৰূপতে এতিয়া তোমাক
পিন্ধাম ডিঙিৰ মালা,
কতৰূপে তুমি চিৰ ৰহস্য
খেলিব খুজিছা খেলা।

(১৯১৭ খৃঃ)

# মোৰ পূজা

তোমালোকে তেল পুৰি
শলাগছি দিয়া
প্ৰদীপ পুজাৰ,
মই জালোঁ শিহা পুৰি
ৰাঙলি হিয়াৰ
অগ্নি অনিবাৰ
সেয়ে মোৰ প্ৰদীপ পুজাৰ।

প্ৰদীপ সি তোমাসাৰ
ঢিমায় ঢুকায়
বতাহে নুমায়;
মোৰ সি প্ৰদীপ জ্বলে
পলে পলে
তলে তলে
বতাহে হে আহি তাক
দ্বিগুণে জ্বলায়।

তোমালোকে নাম গোৱাঁ
বন্ধা নাম বন্ধা সুৰে
সতোদয় একেদৰে
চাপৰি বজাই,
মই গাওঁ নানা স্বৰে
ছন্দে ছন্দে থৰে থৰে
হৃদয়ৰ স্তৰে স্তৰে
হৃদয় মজাই।
তোমাসাৰ নাম সি যে

তোমাসাক বান্ধি ছাটি
থোৱাতেই থয়,
যিবা আছে যিবা যায়
জিবাতেই বয়;
মোৰ সি নামৰ ধ্বনি
চুমি আকাশক
তৰাক আকোঁলি আহি
ফুলৰ মুখত হাঁহি
হিয়া কাঢ়ি লয়।
তোমালোকে পূজা কৰা .
এজন, দুজন কিম্বা তিনিজন
নতুবা তেত্ৰিশ কোটি
ত্ৰিশ কোটি লোকে,
মই পূজোঁ কাৰবাক ক'বকে নোৱাৰোঁ
এই দেখোঁ এই নাই ভূলোকে দ্যুলোকে
নিতে নৱৰূপ তাৰ
নিতে অগোচৰ,
বিচাৰি তাকেই বয় চকুলো পলকে
লক্ষ ধাৰে লক্ষ সূঁতি
অলক্ষ্য সাগৰ।

(১৯১৮ খৃঃ)

# অমৃত

অমৃত আছে বা ক'ত
কোনে জানে তাৰ
বাতৰি ?
সি বই যায়
কোন সুদূৰত
নিজৰাৰ দৰে
বাগৰি !
সি হৰে নেকি ভোক
হৰে ৰোগ-শোক
হৰে নে প্ৰাণৰ
পিপাসা ?
সি হৰে নেকি ভোক
জড়ক অজড়
নিবাৰে আশাৰ
দুৰাশা ?
সি কৰে নে শান্ত
কীৰ্ত্তি-ক্লিষ্ট
জীৱনৰ যত
ঝিননি ?
মই বিচাৰি পান্থ
ঘূৰিলোঁ অশেষ
গিৰি-গুহা-বন
বননি ।

নাপালোঁ যে ক'তো
নাপালোঁ সন্ধান
পাৰিলোঁ শেষত
ভাগৰি,

এনেতে যে দেখোঁ
প্ৰিয়টিৰ বেশে
জুৰায় নয়ন
বাগৰি।

ক্ষৰে যে অমৃত
ৰূপত প্ৰিয়ৰ
কথাত ধাৰেৰে
বাগৰে,

ভোক, শোক যত
পিয়াহ প্ৰাণৰ
নদ-নদী নিয়ে
সাগৰে!

নোহে তো অমৃত
সৰগৰ মাথোঁ
আছে সৰততো
কাষতে;

অধৰতে ধৰি
দুটি প্ৰণয়ীৰ
মধুৰ চুমাৰ
লাসতে।

সৰে যে অমৃত
প্ৰতি শিশুটিৰ
আধা ফুটা মধু
মাততে;
জোনটিৰ বেশে
সাগৰ বুকুত
জোৱাৰ উঠাৰ
সোঁততে।
অমৃত ক্ষৰে
তৰুৰে লতায়
প্ৰতি পুষ্পৰ
প্ৰাণতে,
অমৃত সৰে
আকাশ ঢৌৱাই
প্ৰতি বিহগৰ
গানতে।
ৰূপতে অৰূপ
লুকাই অমৃত
খেলিছে মেঘত
বিজুলী,
প্ৰিয়টিৰ বেশে
দেখা দি বিলায়
প্ৰেম-অমৃত
আঁজলি।

(১৯২৩ খৃঃ)

# মূৰ্ত্তি পূজা

ভজিলোঁ তোমাৰ ৰূপত মই
সিয়ে নে হ'ল
ভীষণ ভুল?
ৰূপতে তোমাৰ অৰূপ জেউতি
নাপালোঁ জানো
অকূলৰ কূল?

অৰূপক খেদি
বিশ্ব ঘূৰিলোঁ
ৰূপেই সদায়
ভুমুকি দিলে,
ৰূপ অৰূপৰ
ভেদাভেদ ক'ত
সৃষ্টি ৰূপেৰে
উপচি গলে?

'অনন্ত'ৰ প্ৰেম
আকাশত ফুলি
চন্দ্ৰ-সূৰ্য্য
বাগৰি গ'ল,
'অন্ত'ৰ প্ৰেম
ফুলি নুফুলিল
অনন্তৰ লগ
পাহৰি ব'ল।

সেইহে উঠিল
    কতনো শিলত
        ফুলি ফুলি কত
কতনো প্ৰাণৰ
    কৰুণ কোমল
        প্ৰেমৰ ফুল;
জীৱন্ত তোমাৰ
    ৰূপত মজিলোঁ
        ৰূপত পূজিলোঁ
ইকি মূৰ্ত্তি পূজা
    প্ৰেমৰ ভুল?

(১৯২১ খৃঃ)

## অনুসন্ধান

এই ভুল ভৰা ভুলোকত
    দ্যুতি হেৰা দ্যুলোকৰ
        তুমিয়ে নে প্ৰিয় মোৰ
            মানুহ বেশেৰে?

এই ভুল কৰা জীৱনৰ
    নিৰ্ভুল আবেগত
        তুমিয়ে নে মন-চোৰ
            বিভোৰ কেশেৰে?

তোমাৰে নে নয়নৰ
মধুৰ কোণত
কঁপিছে সি অৰ্দ্ধস্ফুট
বাৰ্ত্তা অমৃতৰ,
কঁপিছে বিদৰে সউ
আকাশৰ নীলিমাত
অগ্নিশিখা অন্তহীন
চিৰ ৰহস্যৰ?

(১৯১৯ খৃঃ)

## মহিমা

কিমান তোমাৰ মহিমা প্ৰিয়!
মহিমা কিমান প্ৰিয়
সুধিছা ঘনাই নোৱাৰোঁ ক'ব
ভাল পাওঁ ইমান কিয়?

মাথোন— মোৰ জীৱনত তোমাৰে সুৰত
সুৰ ধৰিছে সউ আকাশত
নিদ্ৰা বিহীন ইন্দু,
মাথোন— মোৰ হৃদয়ত তোমাৰে তালত
সৰগ মৰত
নাচিছে সউ
নাচিছে সপ্ত সিন্ধু!

মাথোন—তুমি অবিহনে মিছা হ'ল হয়
সকলো সৌন্দৰ্য্য-কলা
সউ সন্ধিয়া তৰাটি জ্বলা,
মিছা হ'ল হয় তুমি অবিহনে
মোৰ কল্পনিত ফুল ফুলা।

(১৯২০ খৃঃ)

## শিলাৰূপ

কোন চৈতন্য
অচেতন হই
ধৰিছে ই শিলাৰূপ,
কোন পৰাণৰ
হিয়া পুৰি গই
উড়িছে পূজাৰ ধূপ?

কোন পৰাণে নো
যোগাব পৰাণ
পাষাণক এই
গোৱাব গান!
এই নীৰসক
কৰিব সৰস
বৰষ বৰষ
কোন পূজাৰীয়ে
সঞ্চাৰি প্ৰাণ?

যি প্ৰাণৰ প্ৰেম
ভাগি ছিগি হল
এই অবাক শুকান
শিলৰ স্তূপ,
সেই মুক্ত প্ৰাণেই
উঁড়ি নেকি হায়
গাইছে গান
জপিছে শিলতে
প্ৰেমৰ ৰূপ?

(১৯২০ খৃঃ)

# পূৰ্ব্বস্মৃতি

আজি গধূলিৰ
ভবিৰ ধূলিত
চকুৰ পানীৰে তিতি,
আনিছোঁ মনলৈ মোৰ
তোমাৰেই সেই
পূৰ্ব্বৰ হিয়া-নিয়া স্মৃতি।

পৰিছে মনত বসন্ত অন্তৰ সেই
ম্লান পৰা মোৰ
সন্ধিয়া পৰত জ্বলি
স্নিগ্ধ কৰা—
তোমাৰ সি দীপ্ত দুটি
চকু তৰা;

তৃপ্তি ঢালি অতৃপ্ত চকুত মোৰ
চকুৱে চকুৱে মিলি
হিয়া জুৰ কৰা
ঢউ খেলি তড়িতৰ
মউ সাৰি পৰা।

•

তেতিয়াও সবল সুখীয়া মই
হোৱা নাই যৌৱন ঘোষণা,
ফুলো নে নুফুলো কই বেদনা উন্মুখী
উষাৰ নিচিনা।
তুমি যেন ভোটা তৰা হৈ
সেই উষা সময়ত
দীপ্তি ঢালি হৃদয়ত
নৱ যৌৱনৰ মোৰ কৰিলাহি
প্ৰভাত সূচনা
চৰালা যে তুমিয়েই শতমুখী
আবেগৰ বণ্ডা বগা ফিৰিঙতি;—
প্ৰাণ দহি
উগ্ৰ উদ্দীপনা।

কি যে তৱ চকুৰ চাৱনি!
প্ৰাণে মোৰ নাপালে ঠাউনি।
বোধ হল তুমি মোৰ
কোন নন্দনৰ পুৰ,
বৰনি কঁপাই ফুলনি ফুলাই
বিৰহেৰে ভৰপুৰ,

ৰহস্যৰ চিৰ নৱ
কিবা এটি সুৰ,
যৌৱনৰ ছিদ্ৰ ধৰি বাঁজি উঠা
জীৱনৰ চিৰ সুমধুৰ।

(১৯০২ খৃঃ)

## সুন্দৰ

সুন্দৰ মুখৰ
সুন্দৰ সাচোঁদ
সুন্দৰ হিয়াৰ
অমিয়া ৰাশি,
ফুৰিলোঁ বিচাৰি
হাবাথুৰি খাই
এই কদাকাৰ
জীৱন নাশি।
সত্যৰ যে প্ৰকাশ
সুন্দৰ এই
বিশ্ব জগত
থাকোঁতে পৰি,
সুন্দৰ ক'ত
হৃদয়ৰ মোৰ
এয়ে যে বিননি
জীৱন ধৰি।

ফুলনি শুৱাই
ফুলে যেৱে ফুল,
নুগুচেতো মোৰ
তৌতিয়াও ভুল,

দেখোঁৱে সিংহত
কলিজাৰ তেজ
নিৰাশ প্ৰেমৰে
ৰাঙলি ফুল।

ভাবোঁ বহি বহি
অকলে যেতিয়া
সউ দুৰ্বাণিৰ
তৰালৈ চাই,

সিহঁতো যে জুই
এই বুকুৰেই
জ্বলন্ত বিৰহ
দহিছে হায়।

ভেদি জগতৰ
শূন্য শোভা ই
পূৰ্ণ প্ৰভাৰ
পদুম পাহী,

ক'ৰ পৰা কোনি
উঠিলা যে তুমি
পঙ্ক হিয়াৰ
সৰসী ভাহি!

সুন্দৰ তুমি
হৃদয়ৰ মোৰ
কোন কাননৰ সুৰভি ভৰা,
মধুৰ ৰূপৰ
মাধুৰী চৰাই
কোন গগনৰ
নতুন তৰা।

*

সুন্দৰ তুমি
মোৰ পৰাণৰ
কোন মলয়াৰ
মৃদুল বা—
লাগিল পৰশ
কোন বিজুলীৰ
চকিত হিয়াৰ
গভীৰ ঘা।

*

দেখা দি ঢালিলা
সি যে কি সুন্দৰ
পুলকি অন্তৰ
মদিৰা ধাৰা,
পান কৰি, আহা
হলোঁ যে বিভোৰ
জীৱন যৌৱন
আপোন হাৰা।

তুমি তো সুন্দৰ
মই যে কুৎসিৎ
সেই কাৰণেই নৰ'লা প্ৰিয়,
যদিও সপোন
তেও তো আপোন
নহলে সপোন
খেলিলা কিয় ?
মোৰ মুগ্ধ চকুৰ
প্ৰথম পোহৰ
প্ৰথম প্ৰেমৰ
প্ৰথম প্ৰিয়,
এই জগতৰ
সকলো ভালৰ
প্ৰথম ভালটি
তুমিয়ে প্ৰিয়।

*

সুন্দৰ তুমি
চিৰ সুন্দৰ
ইন্দুৰ দৰে অ' মোৰ প্ৰিয়,
হৃদি জলধিত
তুলিছা সদায়
জোৱাৰ ভাটা
অ' মোৰ শিৱ।

*

নহলে হৃদয়
ইয়ে নেকি ভুল

ইয়ে নে কেৱল
    কেৱল ধাকী,
ইয়েনে মৰিচী
   মৰুভূ মাজৰ
   হৃদয়ে কেৱল বিৰাট ফাঁকি।

*

হৃদয়েই যদি
      নাপায় হৃদয়
হৃদয় বিচাৰে
      হৃদয়ে কিয় ?
মিলে দুটি প্ৰাণ
      কোটিৰ মাজত
    অৰ্থ বিহীন
      সিও নে প্ৰিয় ?

*

বিশ্ব-হৃদয়ৰ
    সাগৰ বুকুত
      খণ্ড হিয়াৰ উঠিছে ঢৌ ;
ঢৌৰে ঢৌৰে মিলি
    চুমা খাই হেনো
      লভিছে মিলন-মধুৰ মউ।

*

মোৰ ই হিয়াত
      তুলি যি কম্পনি
    আঁতৰিলা তুমি, তোমাৰ নউ,

মোৰ কম্পনিয়ে
তোমাৰো হিয়াত
পাৰিবনে বাৰু নতুলি ঢউ?

*

পাৰিলে পাবক
নাই নোৱাৰিলে;
মনোমন্দিৰত পূজিম শিৰ,
অ' মোৰ গৰ্ব্ব
অ' মোৰ সাধনা
অ' মোৰ স্বৰ্গ
অ' মোৰ প্ৰিয়।

(১৯২৪ খৃঃ)

## ছবি নে কবি

যদি নহওঁ তোমাৰ ছবি,
নহওঁ তেনে কবি!
যদিও নহওঁ তোমাৰ হিয়াৰ, হে
হিয়া হৰা ছবি
সখি! নুবুলিবা কবি।

*

যদি তোমাৰ
হৃদয়ফলিত
নজলে মোৰ ছবি,
নজলে যে চকুত মোৰো
পূবৰ অৰুণ ৰবি।

যদি তোমাৰ চকুৰ মাজত
নজলে মোৰ
কেশৰ লহৰ
দুটি চকুৰ প্ৰভা,
মেঘৰ বুকুত বিদ্যুৎ পোহৰ
সন্ধ্যা তৰাৰ
নুঠে লহৰ,
নুঠে চকুত মোৰো মোহৰ
একো, মধুৰ শোভা।

*

যদি তোমাৰ বুকু ভাহি
নুঠে হাঁহি
হঠাৎ আহি
মোৰে মুখৰ ৰূপ,
ফুলৰ মুখত নোলায় হাঁহি
নাবাজে মোৰ মৃদুল বাঁহী
জগৎ জনৰ হৃদয় কাঢ়ি
নুড়ে প্ৰেমৰ ধূপ।

*

তোমাৰ প্ৰেমৰ বিনে
অন্ধ কবি
নেদেখে যে
বিশ্বছবি,
—নুশুনে যে গান;
কবি যদি তোমাৰ ছবি,
তুমি কবিৰ বিশ্বছবি,
ফুলে-ফলে ভৰি উঠে প্ৰাণ;

যদি তোমাৰ হৃদয়-হোমৰ
নহওঁ ময়ে হবি
নহওঁ মিছা কবি,
যদি নহওঁ তোমাৰ হিয়াৰ হে
হিয়া হৰা ছবি,
সখি! নুবুলিবা কবি!

(১৯২৫ খৃঃ)

## অভাৱ

কথা যে আছিল মোৰ
বহু কবলই—
গাবলই প্ৰাণ ঢালি
বহু বহু গান,
ভাল পোৱা যদি হায়
বাজিলহেঁতেন
ধ্বনি মোৰ মনোবীণ
কুহু কুহু তান।
মলয় নবলা হলে
ফুলে জানো ফুল?
প্ৰেম যদি নাথাকিল—
হৃদি-স্পৰ্শ মণি,
কিমতে নাচিব প্ৰাণ
হব বা ব্যাকুল
দেৱতা বিহনে কৰি
পূজা-মন্ত্ৰ-ধ্বনি?

ভাল পোৱা সি যে হায়
জীৱনৰ তৃষা
যৌৱনৰ সংগীতত
উঠিছিল জ্বলি,
অনিন্দ্য ৰূপত এক
অৰূপৰ আশা
পদ্মৰ দৰে মোৰ
হৃদি-কলি ঢলি।
ভাল পোৱা সি যে হায়
মায়া-মৃগ কাৰ?
কায়া ধৰি বাসনাৰ
কৰিছিলে মায়া,
ধৰা দি নিদিলে ধৰা
মাথোঁ হা-হা-কাৰ
ছাই এবে জ্বলি পুৰি
তৃষাতুৰ হিয়া।

## ভাল পোৱা

ভাল পোৱা সি যে কাৰ
প্ৰাণৰ পিপাসা,
বতাহতে গইছিল
উটি যাৰ ব্যথা;

তৰাৰে সইতে গুপ্ত
বনৰ ফুলৰ আশা,
খুজিছিল বীণে মোৰ
বজাব মিলন-ভাষা।

ভাল পোৱা কোকিলৰ
কুহু কুহু গান,
সি যে পুনু তটিনীৰ
সাগৰ সন্ধান;

ফুলে ফুলে সমীৰৰ
মুহুর্মুহু তান
ফুলে ফুলে ভাহি যোৱা
সুৰভিৰ ঘ্ৰাণ।

ভাল পোৱা নতু সি যে
আকুল অশ্ৰুৰ ধাৰা,
চৰাচৰ মৰ্ম্মৰিত
মৰ্ম্মভেদী ভাষা;

একাকাৰ কৰি লই
স্বৰ্গ বসুন্ধৰা
মৰতত ঢালি যোৱা
অমৃতৰ আশা।

ভাল পোৱা সি যে অই
বোবাৰ মুখত ভাষা,
অন্ধকক দিবলই
হাঁয়, দিব্য চকু,

হতাশক আশা, আহা
বন্ধক মধুকৃতি
এচুকৰ একে খানি
বিশ্ব-ভৰা বুকু।
(১৯২০ খৃঃ)

## ভাব

হৃদয়ত মোৰ নাই. যদি সেই
অনল-ভৰা
অনন্ত প্ৰেম,
আকাশত কিয় পাতিছে কিবাই
আকুল কৰা
ইমান ভেম,
পিন্ধি তাৰকাৰ মুকুতা হেম?
বতাহত কিয় যায় ফুচুলাই
কাণে কাণে হায়
দূৰতে খেদি,
বকলে লগত কিয় উচটাই
বাণ হানি যায়
হৃদয় ভেদি?
*
থউকি বাথউ লাগিছে সদায়
উঠিছে নামিছে
জোৱাৰ ভাটা,

কোন সি ইন্দু, হৃদয় সিন্ধু
উথলি উঠিছে
ধিয়াই সদা ?

নশ্বর ঘৰত পৰাণ, পৰত
পাতিছে সদায়
কিহৰ লগত
বিহৰ বেহা ?
যদি ই হৃদয় প্ৰেমৰে নহয়
মাগিছে মিলন
কিহৰ লগত
কিহৰ দেহা ?

(১৯২৩ খৃঃ)

## চিৰ সুন্দৰ

জোনটিৰ দৰে চিৰ সুন্দৰ তেওঁ
চিৰ সুন্দৰত
ইন্দুৰ দৰে
চিৰ সুন্দৰ;
সুধা বৰষে মাথোঁ হৰষে
চিৰ গীত ঢালে
আহা, চিৰ গুঞ্জৰ।
সদায় চাতকে যাক
ধীৰৰৰ হেঁপাহত,

সুৰেৰে সোপান গাঁথি
উঠি মৰে আলাসত,
গুন্ গুন্ ৰুন্ ৰুন্
আকাশত সদা যাৰ
ফাগুনৰ বতাহত
কান্দি মৰে দুনিয়া
নুপুৰৰ শবদত।

(১৯২৪ খৃঃ)

# পুখুৰীৰ প্ৰতি পানীপিয়া

পৃথুৰী তই নিৰ্ম্মল শীতল
বহুতো চৰায়ে কইছে মোক,
পিয়াহতে মৰোঁ যদিও সদায়
নোৱাৰোঁ তেও চাব যে তোক।

*

সুন্দৰ তই, সুলভ তোৰ
কাহ'-পৰি-জীণ গভীৰ পানী,
আছ ৰাতি দিন সমুখতে মোৰ
নোৱাৰোঁ এটোপ্ পিব যে আনি।

*

আকাশলৈ চাই আশাতে থকা
জ্বলিছে নিতউ পিয়াহ-জুই,
তথাপিতো মন নুঘূৰে এবাৰো
তোলৈ ৰূপহী পৃথুৰী অই।

তই বন্ধ্ পানী আছ এচুকত
গতি-হীন তোৰ নাই যে সোঁত,
আৱাথে যে তোক কোৱা ভেকুলিয়ে
মইনো কিমতে সেঁৱিম তোক?

*

নিন্দা যে তোক কৰা নাহ মই
নাই যে মনতো ঘৃণাৰ লেশ,
তই যে মাটিৰ, মই আকাশৰ
বুজিবি কেনেকৈ, মোৰ কি ক্লেশ।

*

তৃষ্ণা যি মোক দিলে বিধাতাই
ফটিক জলৰ হে অই
শান্তিৰ আশা সুদূৰ যে মোৰ
দহন সদায় মৰিছোঁ দেই।

*

মই মেঘৰ ফাঁকেদি কৰোঁ অহা-যোৱা
জ্বলি বিজুলীত মৰোঁ যে হায়,
তেও উৰাই যোৱাৰ হঠাৎ পোৱাৰ
চকিতে চোৱাৰ তুলনা নাই।

*

হায় বিধাতাই ইদৰেই মোক
দুখৰ ব্রতত কৰিলে ব্রতী,
পুষ্কৰ মেঘত নিমজিল মন
নমজে পুষ্কৰিণীৰ প্রতি।

হে পৃথ্বী! তই তৰাৰ মাধুৰী
স্বচ্ছ অগাধ বুকুত ভৰা
মোৰ আছে আকাশত পানীৰ যি দ্রোণী
সেয়ে চাতকৰ তৃষ্ণা হৰা।*

(১৯২৫ খৃঃ)

•

## কবিৰ স্থান

ৰাজ-দৰবাৰত
নাই নিমন্ত্রণ
বুধি ভাৱসা
নোসোধে হাঁয়;
সকলোৰে কৰে
কবিকে গোপন
কবিৰ আসন
সভাত নাই।

*

যিবা কয় কথা
আপোন মনেৰে
গায় যিবা গান
পৰাণ ভৰি;
মিল তাৰ নাই
ৰাজ্য চালনাৰে
অৰ্থৰো একো
নাই কণাকড়ি।

* কবি সত্যেন্দ্ৰ দত্তৰ ছাঁ লৈ লিখা।

নিজম বেতিয়া
নইখনি বয়
কাষেদি নাযায়
কৰমী কেও,
সন্ধিয়া সমীৰ
অকলে • বিভোৰ
তেতিয়া ওলায়
লাহেকৈ তেও।

*

তৰুৰে লতাই
বিজন বনত
কি কথা অকলে
গোপনে কয়,
সন্ধিয়া তৰাই
নীৰৱে নভত
কিহৰ বাতৰি
দূৰতে লয়;

*

কিহৰ আশাত
গভীৰ নিশাত
কুমুদী-চকুত
টোপনি নাহে,
সুদূৰৰ সুধা
ইন্দু কিহত
ধৰণী চোৱাই
দূৰতে হাঁহে;

যুগল ভুবনে
  কিহৰ কাৰণে
    এৰাই সবাৰ
      খিয়লা চকু;
আঁৰে আঁৰে চাই
  ইটিয়ে সিটিক
    লুকাই জুৰায়
      তপত বুকু;

*

কুলিটিয়ে যায়
  কি গান শুনাই
    ভেদি সি ব্যাকুল
      যুগল প্ৰাণ;
হৃদয়-ৰাগিণী
  লগায় কিহৰ
    বিশ্ব-বাঁহীৰ
      অনাদি তান।

*

সি অসীম তত্ত্ব
  অনাদি কালৰ
    অভেদ মধুৰ
      ৰহস্যান্ধাৰ,
মোকোলাই ধৰে
  মুকলি কৰিয়ে
    মুকলি হিয়াৰ
      বজাই তাঁৰ।

(১৯২৫ খৃঃ)

# কবীন্দ্ৰ ৰবীন্দ্ৰ দৰ্শন

বৈকুণ্ঠ বিহঙ্গ তুমি
নৱবেশে যেন
উদিলা মৰ্ত্ত্যত,
বিশ্বপ্ৰাণ গান হই
বাজিছে মাথোন
তোমাৰ কণ্ঠত।

*

জন্ম লই মৰতত
সেইহে হ'বলা
পঙ্কশয্যা এৰি,
ফুলিলা আকাশ ভৰি
আলোক ধিয়াই
পদ্ম প্ৰাণ ফেৰি।

*

ব্যাকুল আবেগে ফুলি
পূৰ্ণ শতদল
হলা ঊৰ্দ্ধ মুখ,
পঙ্কধৰা ধন্য আজি
তোমাৰ জন্মত
ধন্য দেৱ লোক।

*

ধন্য পূব-পছিমৰ
কোলা-কুলি আজি,
স্বৰ্গ ধৰাতল,

গ্ৰহ-তৰা-তপনৰ
    গোপন কাহিনী
        ধন্য ৰাষ্ট্ৰ হ'ল!
ধন্য আজি ভাৰতৰ
    ব্যাকুল হৃদয়
        শত শতাব্দীৰ;
ধন্য ই তৃষিত প্ৰাণ
    দেখি বিশ্ব কবি
        ঋষি মূৰ্তিৰ।

(১৯১৫ খৃঃ)

## ঊৰ্ম্মিলা

পূৰ্ণিত তৰাৰ দৰে
    কাব্য আকাশৰ,
এবাৰ আলোকি মাথোঁ
    সুমেৰু শিখৰ,
অব্যক্তবেদনা তুমি
    হে দেবি ঊৰ্ম্মিলা!
চাটি কৰে পোহৰত
    কেনি যে লুকালা।

যিদিনা তপস্বী-বেশে
    দুই ৰাজ-ভ্ৰাতা,
বাজ হল সীতা-স'তে
    আন্ধাৰি অযোধ্যা;

সিদিনা উৰ্ম্মিলা তুমি
রাজহৰ্ম্ম্য-তলে
কিদৰে লুণ্ঠিতা হ'লা
কোনেবা দেখিলে?

সিদিনাৰ অযোধ্যাৰ
ক্ৰন্দন-ধুমত,
দেখিলে নে কোনোবাই
তোমাৰ প্ৰাণত
জ্বলিল কি বহ্নি বাৰু
ল'লে নে খবৰ?
জ্বলি পুৰি কিবা হল
এখনি অন্তৰ?

ক্ৰৌঞ্চ-বিৰহী-দুখত
আৰ্দ্ৰ যি হৃদয়,
সিও যে নাচালে ঘূৰি
উৰ্ম্মিলা-বিলই!

কোনে জানে সিদিনাৰ
অবলা উৰ্ম্মিলা,
চুলি মেলি অকলৈ
কিদৰে ব্যাকুলা;
কোনে জানে আৰু সেই
নাৰী জীৱনৰ,
মৰ্ম্মাহত যৌৱনৰ
চৈধ্যটি বছৰ!

লঙ্কা জিনি উলটিল
যিদিনা লক্ষ্মণ,
কিবা হল সিদিনাৰ
উর্ম্মিলা-মিলন ?

জ্বলিল নে যৌৱনৰ
নবদীপ্ত হিয়া ?
কঁপি উঠা প্ৰণয়ৰ
প্ৰথম অমিয়া ?

কোনে জানে কিবা হল
সেই ভগ্নপ্ৰাণ,
জ্বলি পুনি দীপ্ত, কিম্বা
মাথোঁ ম্ৰিয়মান ?

অগ্নিৰ পৰীক্ষা আৰু
বনত নিবাস,
সীতাৰ পাতাল-যাত্ৰা
গভীৰ হতাশ ;—

তাতোকই গভীৰ নেকি
উর্ম্মিলা-যন্ত্ৰণা,
ভয়তেই নকৰিলে
কবিয়ে বৰ্ণনা ?

বৃন্তচ্যুত ফুল তুমি
ত্যাগৰ উর্ম্মিলা,
অসহ্য বেদনা হায়
নীৰৱে ভুগিলা।

ত্যাগমন্ত্র জপিয়ে নে
চিৰ মৌনী হ'লা?
সীতা-অশ্রু-সাগৰতে
ঢাক খাই ৰ'লা?
(১৯১৭ খৃঃ)

## শকুন্তলা বিদায়
(বন পথ)

কণ্ব— তপোবন-সন্নিহিত
হে তৰুৰ শ্ৰেণী?
শুনা তোমালোকে আজি
মোৰ বাক্যধ্বনি:
আগেয়ে যি তোমাসাক
পানী নোবোগাই
নিজে কদা এটোপাও
পানী খোৱা নাই,
ফুল-সাজ পিন্ধিবৰ
হেঁপাহতো যোনে
চেনেহতে এটি পাতো
হায় নিছিঙিলে;
তোমাসাৰ ফুল উঠিব
ধৰোঁতে ফুলি,
আনন্দতে যোন পৰিছিল
ঢলি ঢলি,

পতিৰ গৃহলৈ আজি
সি ছোৱালী যায়,
তোমালোকে দিয়া সৱে
স্নেহ বিদায়।

(কোকিলৰ মাত শুনি)
সেই শুনা, সেই শুনা
কোকিলৰ কুহু,
উত্তৰিছে তৰুসৱে
বিৰহৰ 'হু হু';
সিহ'ত যে ছোৱালীৰ
বনবাসী ভাই,
দিয়া সকলোৱে অই
স্নেহ-বিদায়।

(আকাশত) বিদায় বিদায় বালা
যোৱা সুখে
ৰম্যপথ ধৰি,
হৰিৎ পদুম বন
আছে যেনি
সৰোবৰ ভৰি;
সুশীতল তৰুতলে
হবৈ যেনি
তপন-কিৰণ,
উড়ে য'ত ধূলি কণা
মৃদুপদ্ম
ৰেণুৰ বৰণ।

যোৱা তেৰে
ধীৰে ধীৰে
অনুকূল বʼক সমীৰণ,
পথ হক শান্তিময়
নিৰাপদে
কৰাহে গমন!

(১৯২৪ খৃঃ)

## স্বৰ্গীয় চন্দ্ৰনাথ শৰ্ম্মা

বন্ধু,
ডেই-পুৰি-মৰা
পৰাণে মোৰ
শীতল বুলি
সোঁবাছিল হায়
তোমাকেই;
তুমিও থিতাতে
দগ্ধ কৰিলা
ঢালি ঢালি সুধা
—অকস্মাৎ
লুকাই গই।
কলাকলে বাঢ়ি
পুৰ নউ হলা
চাওঁতে চাওঁতে
শুকাই গই,

কালৰ কবলে
কাঢ়িলে তোমাকো
ভৰা নাও আজি
বুৰাই থই।

তাহানি পুৱতি
উষাৰ কালতে
সাহিত্য-আকাশ
পোহৰ কৰি,

আদৰি লওঁহি
পিছুৱাই থকা
লাজুকক এই
হাতত ধৰি।

প্ৰভাত যেতিয়া
হেঙুলী বৰণে
উজ্বলি অসম
সাহিত্যাকাশ,

হঠাৎ তেতিয়া
লগ এৰি তুমি
ৰাষ্ট্ৰ-আলিত
ধৰিলা পাশ।

এৰি কবিতাৰ
কুসুম-কুঞ্জ
বন্ধু তোমাৰ
নললো পাছ,

গুঞ্জৰি যত
মধুপ পুঞ্জ
ভৃঙ্গে ভাবৰ
মাধুৰী-ৰাশ।

মাতিছিলা তুমি
কত বাৰেবাৰ
যাবলই এবাৰ
কবিতা ভুলি,

নগলোঁ এবাৰো
বাগী দি আঁতৰি
কাইটৰ সেই
বোকালৈ বুলি।

ভাবিলোঁ মনতে
লুকাই লুকাই
দূৰৰে পৰাই
বজাই বাঁহী,

দিম উদগাই
সাৰথি তোমাক
যুদ্ধ-ক্ষেত্ৰত
চলিবা হাঁহি।

যদিও অকলে,
সাত মুনিহৰ
বান্ধি বল তুমি
বাঢ়িলা আগ,

যদিও তেনেই
তাকৰ সঙ্গী
তাৰেই সেনাৰ
বাটিলা ভাগ।

অসম সাহসে
আৰ্জ্জুনিৰ দৰে
কৰিলা প্ৰবেশ
চক্ৰবেহু,

কালৰ কুটিল
সপ্তৰথীয়ে
ঘেৰিলে তোমাকো
হে বীৰবাহু।

অসম বিক্ৰম
দেখুৱাই বীৰ
ত্যজিলা জীৱন
দেশৰ হকে,

বিৰহ তোমাৰ
সুৰ্বৰ যে আজি
খুন্দা মাৰি ধৰে
অকথ্য শোকে।

কাম কি শোকৰ!
যোৱা বন্ধুৰৰ
মুলতে তুমি
হেৰোৱা নাই,

চক্ৰ-বেহু = চক্ৰ-ব্যূহ (সং)

উদিছিলা প্ৰাণ
ডুবিলা পুনৰ
প্ৰাণ-সাগৰৰে
কম্পনি খাই।

প্ৰাণে প্ৰাণে দুয়ো
পালোঁ পৰিচয়
অনন্তৰ স্বাদ
মিলন-মউ,

একে সাগৰতে
বুৰি বুৰি ঘূৰি
উঠিম উভয়ে
প্ৰাণৰ ঢউ।

খেলিম পুনৰ কোনোবা দেশত
নতুন চিনাকি
নতুনকই,

হয়তো তেতিয়া
গভীৰ স্নেহত
মিলিম আতমা
(আৰু) গভীৰ হৈ;

হয়তো তেতিয়া
দক্ষিণ বতাহে
পূৰ্ব্বৰ স্মৃতি
হঠাত গই,

জ্বলাব হিয়াত·
লওঁতে জির্বাণ
দুয়ো অকলই
কেনেবাকই ॥

(১৯২২ খৃঃ)

## তাজমহল

পোৱা নাই দেখা হায়
সাক্ষাতে তোমাক
চকুৰে এদিন,
ধৰিছা কি শোভা দূৰ—
অভ্ৰভেদী
দিগন্তবিলীন।
মাথোঁ দেখিছোঁ
নানান্ ছবি,
পঢ়িছোঁ বৰ্ণনা নানা
দিয়া নানা কবি;
হোৱা নাই আজিলৈকে
হোৱা নাই
তৃপ্ত কিন্তু হৃদি,
সি কোন নন্দন এই
মৰ্ত্ত্য লোক ভেদি;
আলিঙ্গিছে অমৰ্ত্ত্য আলোক
অমৰ মৰণ;

বাক্য মনে যাক হাঁয়
চ্নকিয়ে নেপাই
বিস্ময়-মগন।
—আহে পুনু ঘুৰি,
সি কোন মায়াৰ পুৰী?
বিস্তাৰিছে ইন্দ্ৰজাল
দিঠক সপোন!
মাত্ৰ মই বুজিছোঁ ইমানে
তাজ তুমি ৰঙা তেজ
বিৰহীৰ অন্তৰৰ
গোট মাৰি শিলা হোৱা
মৰ্ম্মভেদী ব্যথা,
লেখা নাই আথৰেৰে
পাথৰেৰে ৰচি থোৱা
এটি নৱ যুগমীয়া
বৃহৎ কবিতা।
(১৯২৮ খৃঃ)

# ঘৰ-জেউতি

চ্নকিয়ে নোপোৱা সউ
দূৰ আকাশৰ
দুটি এটি মাথোঁ
নক্ষত্ৰ যিদৰে জ্বলে,

জ্বলে সতী অৰুন্ধতী,
সীতাদেবী, দময়ন্তী
সি দবেই দ্বণিতে
সাবিত্ৰী অকলে।
যুগ যুগ অতীতৰ
প্ৰতিটিয়ে যেন
সপোনৰ সুমধুৰ স্মৃতি,
নোপোৱা কোনেও লগ
বৰ্ত্তমানে আজি
নিলগৰে 'আকাশী জেউতি।
মাটিৰ কোলাতে কিন্তু
কোটি, কোটি ঘৰেপতি
একো এটি অৰুন্ধতী,
জ্বলি জ্বলি পাৰে যদি
কৰিব সৰগ সৃষ্টি,
উজলাই মন প্ৰাণ
শীতলাই তনু,
ঢালি ঢালি হৃদয়ৰ
স্নেহ-প্ৰেম-জ্যোতি;
ধন্য তেহে বিধতাৰ
অতুলন নাৰীসৃষ্টি
ধৰাৰ বিভূতি,
মানবী ৰূপেৰে দেবী
মৰতত সৰগৰ,
ঘৰতেই, ঘৰৰ জেউতি।

(১৯২৭ খৃঃ)

# ধৰাপৰা

আজি ধৰণীৰ
কুঞ্জ কাননৰ
যতেক সৌৰভ টুটি,
একেটি তোমাৰ
পুষ্প-প্ৰাণতে
উঠিল সকলো ফুটি।
আজি মোৰ এই
তৰুণ হিয়াৰ
যতেক অৰুণ ৰাগ,
ৰঙ উথলাই
খেলিছে অংগে
অনংগ-পৰাগ!
আজি যেন মোৰ
অনন্তৰ সেই
সৰ্ব্বব্যাপিনী বালা,
কৰি যত ছলা কলা
গাঁথিছিল যাৰ
চম্পকাঙুলি
মেঘে মেঘে হায়
চপল বিজুলী-মালা;
ক'লা চুলি টাঁৰি
ঢাকিছিল যাৰ
গভীৰ-আন্ধাৰ নিশা,
(সি যে কি নীৰৱ ভাষা!)

চন্দ্ৰালোকত
কঁপিছিল যাৰ
তন্দ্ৰাবিলীন
বকুৰ আঁচল আধা;

স্তনহাৰ যাৰ
ছিঁগি পৰিছিল
নাচোঁতে নভত
তৰা-মুকুতাৰ মণি,

নগ্ন সি যাৰ
মাধুৰীত মই
মগ্ন কবিটি
তুলিলোঁ কুহকধ্বনি;

সেই বিশ্ববিলীনা
স্বৰ্গ-ললনা
দিঠকতে আজি
মধুৰ স্বপ্ন সখী।

তনু ধৰি ধৰা
দিলা নেকি মোক
মানুহৰ বেশে
অতনু পৰাণ পখী!

আজি নে মোৰ
জীৱন-গগন
নবীন মহোল্লাসে
ৰিক্তা তিথিৰ শেষে।

পূৰ্ণা তুমি নে
কৰিবা পূৰ্ণ?
চিৰ জ্যোতিৰ্ম্ময়ী
ধ্ৰুব তৰাটিৰ বেশে।

(১৯২৮ খৃঃ)

## অৰ্ঘ

উষাৰ সহস্ৰফুল
প্ৰতি উষাতেই
হাঁহি হাঁহি আহি ঘূৰি
পাহি সৰি যায়,
নিশাৰ অজস্ৰ তৰা
প্ৰতি নিশাতেই
জ্বলি জ্বলি লাখে লাখে
অলেখ নুমায়।
শব্দ-গন্ধ-ৰূপ-ৰসে
এই পৃথিবীৰ
ব্যৰ্থকাম জীৱনত
লাল্‌কাল্‌ হই,
ভাবিছোঁ সি ফুল আৰু
তৰাৰে লগত, আছেনৌকি
পূৰ্ণ এটা কৰবাত
অৰ্থ মোৰ গই?

(১৯৩০ খৃঃ)

# শুকতৰা

এই যৌৱনৰ সন্ধিয়াৰ
বিলাপ-ভাৰবে ৰঙা
ম্লান পৰি যোৱা মোৰ
হৃদয়ৰ উদাস আকাশ
পোহৰাই,
নিষ্কলঙ্ক দীপ্তি তুমি!
কোন গগনৰ হেৰা
শুভ্র-প্ৰাণ শুকতৰা,
জ্বলিছা কি মাধুৰীৰ চকু
টিপিয়াই।

জ্বলি জ্বলি অবিৰাম
জ্বলাবানে মুগ্ধ কৰি
আগন্তুক অন্ধকাৰ
জীৱনৰ মোৰ
বিভাবৰী?

নতু-হবা অকস্মাৎ
অদৃশ্য অনন্ত কিবা
চকুৰ আগতে হায়
চাওঁতেই এটিবাৰ
প্ৰাণ ভৰি?

জ্বলি তুমি মুগ্ধ কৰা,
কৰা নতু ছলি থই
দগ্ধ, এই ৰোদনৰ
বিক্ষিপ্ত জীৱন,

তেওঁ তুমি মোৰে হেৰা!
তোমাতেই জীৱনৰ
নতুন কই
সাঁচি থোৱা অমৃতৰ
নিস্তব্ধ মৰণ!

(১৯২৬ খৃঃ)

## বাঁহী

সৃষ্টিৰ যত অপূৰ্ণ কামনা
অপূৰ্ণ বাসনা ৰাশি
পূৰ্ণতা মাগি পাপ পুণ্যৰ
যতনা অমিল নাশি;—
বিয়াকুল হই ৰই বই ৰই
বাজিছে বিশ্ববাঁহী,
যত কবিকুল গোপ-গোপী হই
ভক্ত উঠিছে হাঁহি;—
মোৰ জীৱনবো শত অপূৰ্ণতা
শত ছিদ্ৰৰ ৰন্ধ্ৰে ৰন্ধ্ৰে আজি,
পূৰ্ণতাৰ সুৰ ফুকাৰি ফুকাৰি
কবিতাৰ বাঁহী উঠক বাজি।

# কবিৰ চিন্তা

অনন্তে গাইছে নীৰৱ ভাষাৰে
দিন ৰজনীৰ অখণ্ড বীণাৰ
অনাদি গান,
কোনেও যে তাত
নিদিয়ে কাণ;

সেইহে ইমান ব্যাকুল হিয়া
উগ্‌ল্ থগ্‌ল্ থিৰ নাইকিয়া
কিদৰে কৰাওঁ
অমৃত পান?

সৰব ভাষাৰে শুকান কথাৰে
গাওঁ কি মধুৰ
মোহন গান?

যি সুৰত সউ
জোনালী সভাত,
নাচিছে লক্ষ তাৰকা
ইন্দু,
বাগৰি পৰিছে ধৰাত
সিন্ধু;

সি সুৰতে মোৰো
ক্ষীণ তনুটিৰো
শিৰে শিৰে আজি
লহৰী বাগৰি
নাচিছে শোণিত বিন্দু!

ইমান মাধুৰী ইমান ৰস
নোৱাৰোঁ যে মই
অকলই কৰিব পান!
সেইহে ইমান অন্ধ আতুৰ
চাতকী প্ৰাণ,
গুঞ্জৰি গুমৰি বন্ধ বিমোৰ
হিয়াৰ গান।
অনন্তে ধ্বনিছে বিপুল যন্ত্ৰে,
আকাশ, বতাহ কতনা তন্ত্ৰে,
ঐক্যতান,
কোনেও যে তাত নিদিয়ে কাণ,
সেইহে ইমান ব্যাকুল হিয়া
উগুল্ থুগুল্ থিৰ নাইকিয়া
কিদৰে কৰাওঁ
অমৃত পান?
সৰব ভাষাৰে শুকান কথাৰে
গাওঁ কি মধুৰ মোহন গান।

## উন্মনা

আজি নাজানো কোনে মাতিছে মোক
মেঘৰ লগত যাবলই,
আজি নুবুজো কোনে গাইছে গান
বতাহে বতাহে অকলই!

আজি নিচিনো কাৰ. হাতৰ লেখা
তৰায় তৰায় জ্বলিছে,
আজি নবৰুজো তাত কিয়নো মোৰ
হৃদয় ইমান মজিছে!
আজি উৰিম মাথোন মেঘৰ লগত
নীলিম গগন বিদাৰি,
পূবে-পছিমে যোনিয়ে' পাওঁ
মধুৰ বাঁহীৰ সংহাৰি!

## পদূলি মূৰত

এই জীৱনৰ
পদূলি মূৰত
ৰ'ম কত আৰু
বাট চাই চাই,

আহিছে গইছে
বিশ্ব বাটেদি
কতনা যাত্ৰী
কতনা ঠাই!

হাঁহি কান্দি আহে
ৰ'দ-বৰষুণ
এই আছে, আৰু,
এই নাই,

আহিছে গইছে
শীত বসন্ত
নাপাওঁ অন্ত
বাট চাই চাই।

আহিলে পোহৰ
উজ্বলি ভুবন
উথলি উঠো
আবেগে হায়,

ঢাকিলে আন্ধাৰ
আবৰি সমুখ
হাহাকাৰ কৰোঁ
উৰাদিহ নাই।

গইছে কতনা
থমকি পলেক
পদূলি-মূৰত
দেখাটি পাই,

চিৰবঞ্চিত
চিৰসঞ্চিত
মুখনি আজিও
নাপালোঁ হায়।

# কেনি

লৰিছে যিপিনে চন্দ্ৰ সূৰ্য্য
বজাই তূৰ্য্য
মন্দ্ৰ সুৰ,
বতাহে যিপিনে ধৰিছে হাল
উৰিছে মেঘৰ ধৱল পাল;
সিপিনেই তোৰ
গভীৰ আতুৰ
অনাদি যাত্ৰা
সুদূৰ দূৰ।

বইছে যিপিনে
উথলি উৎস,
আঁৰিছে কুঞ্জে
বিবিধ পুষ্প;
প্ৰণয়-হাৰ।
যিপিনে সখী পখীৰ তান
ধৰিছে বিশ্ব তালত মান,
সিপিনেই তোৰ
সুধীৰ বিধুৰ
অন্তঃপুৰৰ সিংহদ্বাৰ!

THE NABIN BARDOLAI HALL & LIBRARY
JUL. 19..

# উদাসী

( গান )

মই উদাসী
মই প্ৰয়াসী
ঘৰ থাকোঁতেই
প্ৰবাসী,
মই বিৰাগী
মই তিয়াগী
ভৱ ভোগতেই
তিয়াগী!
মোৰ অতল প্ৰেমৰ
অনল ৰূপৰ
মই পৰশ পাবৰ
প্ৰয়াসী!
প্ৰাণ ৰূৰোঁ ৰূৰোঁ
মন নাচোঁ লৰোঁ
মোৰ পাখি নাই
মই নাচোঁ লৰোঁ
মই ধৰোঁ, ধৰোঁ
মই ধৰা নাই
মই ক্ষিপ্ত বাউল
আউল জাউল
মই নেদেখা বাটৰ ব'ৰাগী!

# কিয়

যদি কামেই মোৰ কেৱল কৰ্ম্ম
কামেই মোৰ কেৱল ধৰ্ম্ম
কামেই ধৰাৰ প্ৰাণ,
কিয় তেন্তে জগৎ জুৰি
বাজে ইমান গান?
কিয় তেন্তে পুৱাতে ইমান
পখীৰ ৰব নদীৰ গান?
বিপুল পুলক হায়!
সোণৰ সুৰত নাচে আকাশ
বতাহে কাৰ দিয়ে আভাস
হৃদয় ওপচায়।
কিয় তেন্তে নিতউ নিশা
তৰায় তৰায় জ্বলে শিখা
কিহৰ হোমানল?
কিহৰ উছৱ কিহৰ গান
বৰ্ণ-গন্ধ-স্পৰ্শ ইমান
লগায় কৌতুহল?

# প্ৰশ্ন

**যদি** জগৎ তোমাৰে মেলা
**মোৰ** জীৱন তোমাৰে খেলা।
        তেন্তে কিয় লটিঘটি
        বাত্তিয়ে দিনে ছাটিফুটি;
**কিয়** তেনে এনে
**বিষম** ঠেলা?
        এনে মৰ্ম্মভেদী
        কিহৰ খেলা?
**যদি** বিশ্ব তোমাৰে
        ৰূপৰ পুৰী,
**কিয়** ৰূপ-কুৰূপৰ
        জুৰাচুৰি?
**জয়**-পৰাজয়
        ভাল নে মন্দ,
সঁচা-মিছাৰ
        কিহৰ দ্বন্দ্ব?
**কিয়** ইমান নিঃস্ব পৰাণ
        ডেই পুৰি?
**যদি** বিশ্ব তোমাৰে
        ৰূপ-মাধুৰী?
**যদি** সৃষ্টি তোমাৰে
        প্ৰকাশক্ৰম,
**মোৰ** দৃষ্টি কিয়
        হতাশ, ভ্ৰম?

যদি মায়া,
সিওতো তোমাৰে ছাঁয়া?
সেয়েতো তোমাৰ সৃষ্টিখন
দৃষ্টি কিয় ইমান ছন?

## উত্তৰ

নহয় নহয় নহয় ভ্ৰম,
ভ্ৰম যে তোমাৰ
সৃষ্টিক্ৰম;
তুমি ক্ৰমৰ পাহী
ফুলাই ফুলাই
আত্ম মেলা,
ভ্ৰমৰ হাঁহি
তুলাই তুলাই
খেলা খেলা!
ভ্ৰমৰ হুঁহা
ভ্ৰমৰ কন্দা,
প্ৰেমৰ ৰীতিত
ধৰা বন্ধা,
বসৰ নাগৰ
জানা তুমি
বসৰ খেলা,

তেজৰ আখৰ
লেখি দিলা
প্ৰেমৰ বেলা।

সেই হে উঠে
পূৰ্ব হাঁহি
তেজৰ সূৰ্য্য
বুকুত লই,
সন্ধ্যা পূনৰ
কান্দে আহি
বুকুৰ তেজত
ৰঙা হই!

সেই হে বজায়
সূৰ্য্য-চন্দ্ৰ
ব্যাকুল-বিৰহ
মিলন-গান,
জগাই হিয়াৰ
ৰন্ধ্ৰে ৰন্ধ্ৰে
বিপুল গানৰ—
প্ৰতিদান।

# বিৰহৰ গৌৰৱ

হে মোৰ হৃদয় চোৰ!
মহা শূন্য ভৰি যদি
নুঠিলহেঁতেন আজি
তোমাৰ বিবহ হাঁয়
ভুবনে ভুবনে বাজি;
তৰায় তৰায় মোৰ
তেন্তে ই বুকুৰ জুই
সুদূৰ আকাশ ছুই
জ্বলিল হেঁতেন ক'ত
অগ্নি-বীণা বাজি?

মোৰ বুকুব তেজেই গই
হেঙুলী সন্ধিয়া হই
বুৰোঁ নে নুবুৰোঁকই
বুলিলহেঁতেন ক'ত
ৰাঙলি বোলিৰে,

গুঞ্জৰি গুমৰি ব্যথা
মুঞ্জৰি তৰু-লতা
অত গান অত কথা
বাজিলহেঁতেন ক'ত
ঢৌ খেলি ফুলেৰে?

শাওণৰ ঘন-ঘোৰে
মোৰ অত চকু লোৰে

ঢালি ঢালি ধাৰাসাৰে
তিয়ালেহেঁতেন ক'ত
তপত হৃদয় ?
আবেগত ভাগি ছিগি
ধুমুহা-বতাহ লাগি
এচুকৰ এই হৃদি
নহলহেঁতেন অত
বিৰাট প্ৰণয়।

## একেটি ঘৰ

মুৰত ভৰিল তৰ্কৰ ধূলি
মুখত বাক্য বালি,
বিৰাট বিজন হৃদয়ৰ মোৰ
ঘৰটি থাকিল খালি !

চন্দ্ৰ-সূৰ্য্য-বিহীন মোৰ
একেটি ঘৰ নহয় যে পূৰ,
ধন-জন-মান বিভূতি-প্ৰদীপ
নিতকে নতুনে জ্বালি,
ৰাজ-দুৱাৰতে পুৰি নিৰ্ব্বাপিত
ঘৰটি সদায় খালি !
মূৰত ভৰিল তৰ্কৰ ধূলি
মুখত বাক্য বালি,
চন্দ্ৰ-সূৰ্য্য পশিব নোৱাৰা
ঘৰটি থাকিল খালি !

# দুটি মানুহ

এটি ঘৰত
দুটি মাথোন
দুটি মানুহ ধৰে,
এটি খেলে
লুকাই সপোৰ্ন
এটি জ্বলি মৰে!

*

এটি হাঁহে
তৰাৰ মুখত
ফুলৰ গন্ধ টানি,
এটি কান্দে
ধৰাৰ বুকুত
কুলৰ বন্ধ মানি।

*

এটি আহে
প্ৰিয়ৰ ৰূপত
চুচুক্ চামাক্ কৰি,
ইটি থাকে
ৰুদ্ধ ঘৰত
শূন্য শয়ন ভৰি।
এটি মুক্ত
শিশুৰ প্ৰাণত
নাচে আকাশ জুৰি,

ইটি যন্ত্ৰ
আপোন কামত
মৰে ডেই পৰ্দাৰ!

এটি স্তব্ধ
গিৰি-গহ্বৰ
সৰিৎ-সাগৰ জিনি,

এটি ক্ষুব্ধ
ঘূৰ্ণি মহা
নাপাই ক'তো চিনি!

এটি লৰে
বহু বেশে
ভঙা-গঢ়াৰ
তালে তালে,

ইটি মৰে
দেশে-দেশে
ক্ষণে ক্ষণে
কালে কালে।

# ক্ষুদ্ৰৰ অধিকাৰ

এই বিৰাট-বিপুল ভুবন-মাজত
যদিও মই ক্ষুদ্ৰ
অতি ক্ষুদ্ৰ,
তথাপি এই নিখুঁট
বিশ্ব-সংহিতাৰ, মই
নহওঁ কদাপি শূদ্ৰ,
হেৰা, নহওঁ কদাপি শূদ্ৰ!
মোৰ কাণতেই বেদ্-মন্ত্ৰ জপি
প্ৰভাত সমীৰ উঠিছে যে কঁপি,
নিতউ প্ৰথম পুৱাতে,
মোৰ ঘ্ৰাণতেই ৰাশি ৰাশি ফুল
উঠিছে বিকশি গন্ধ-ব্যাকুল
চকু মেলি মই চোৱাতে।

*

মোৰ প্ৰাণৰেই জলধি-পাৰত
আকাশ-বীণাৰ বিপুল তাঁৰত
গাইছে বিশ্বে গায়ত্ৰী,
সাঁতুৰি নাদুৰি মোৰ প্ৰাণতেই
"ভূৰ্ভুবঃ স্বঃ" একাকাৰ হই
ধ্বনিছে তনুৰো তন্ত্ৰী!

*

চন্দ্ৰ-বসুধা-তাৰকা-তপন
মোৰ সমুখতে হোম-হুতাশন
জ্বলিছে জগৎ-যজ্ঞ;

ময়ে হই তাৰ চিৰ পুৰোহিত
চালিছোঁ বাসনা-আহুতি-ঘৃত
ভৰি ই জীৱন অৰ্ঘ্য!

*

এই বিৰাট বিপুল ভুবন মাজত
যদিও মই ক্ষুদ্ৰ .
অতি ক্ষুদ্ৰ,
তথাপি এই নিখুঁট বিশ্বসংহিতাৰ
—মই নহওঁ কদাপি শূদ্ৰ
হেৰাঁ, নহওঁ কদাপি শূদ্ৰ!

# লুকাই লুকাই

এই তো সদায় চকুৰ আগত
মহা নীলাম্বৰৰ আঁৰত
লুকাই লুকাই খেলিছাঁ,
এই তো সদায় সূৰ্য্য-চন্দ্ৰ
দুটি চকু বীত-তন্দ্ৰ
পোনাই বেঁকাই মেলিছাঁ,
আহা! লুকাই লুকাই খেলিছাঁ!
এই তো বা-ৰিব বায়ুত চ'তৰ
হালিৰ ফাকু পুঞ্জ ফুলৰ
উৰাই-ঘূৰাই মাৰিছাঁ,

এই তো বৰ্ষা ঋতুৰ সোঁতত
ধৰাত হৰ্ষ চকুৰ লোতক
উটাই বুৰাই ঢালিছা,
আহা! লুকাই লুকাই খেলিছা!
এই তো লুব্ধ ক্ষুব্ধ প্ৰাণৰ
আঁচল টানি বিৰহ গানৰ
ঘনাই চিকুট মাৰিছা,
আহা! লুকাই লুকাই খেলিছা! •

## মুক্তি

চোৰা আজি
আকাশৰ ৰঙ্গ
শত শত
তাৰকা তৰঙ্গ;
জ্ঞানমান এচুকৰ
স্বপ্নৰ ভঙ্গ!

*

পোহৰৰ সোঁতে
আজি, চোৰা সউ
আকাশৰ গঙ্গা,
গিৰ্ গিৰ্ নামি
আহে, জলদৰ
ভাঙি ছিঙি জঙ্ঘা;

হৃদি-ভেদি মোৰ
সউ সুনীলৰ
কৈলাস-গংগা!
লোভ ক্ষোভ মৰ্ত্ত্যৰ
মত্ত গজেন্দ্ৰ,
ভাহি * যায় 'ত্ৰাহি ৰৱে'
ক্ষমতাৰ . ইন্দ্ৰ;
হাতে হাতে
লাভ কি যে
বস্তু অনিন্দ্য!

*

পৰ্ণ সুবৰ্ণে আজি
তৰু-লতা-পুষ্প,
ৰূপে ৰূপে
অপৰূপ
অৰূপৰ উৎস;
সাৰ্থক জীৱনত
অশ্ৰুৰ বাষ্প!

## প্ৰকাশ বাধা

প্ৰকাশ পাইছে চন্দ্ৰ-সূৰ্য্য
প্ৰকাশ পাইছে বনৰ ফুল,
ই জীৱন কিয় গোপন গুহ্য
জীৱনৰ ই কি ঘটিল ভুল?

প্ৰকাশ পাইছে কোকিল-কণ্ঠ
শত বসন্ত ব্যাকুল কৰি,
ই জীৱন কিয় হতাশ বন্ধ
বন্ধ-কণ্ঠ, গুমৰি মৰি?
প্ৰকাশ পাইছে উদাৰ গংগা
প্ৰবল বেগেৰে লহৰী তুলি,
প্ৰকাশ পাইছে সুদূৰ সন্ধ্যা
আপোন প্ৰকাশ পাহৰোঁ বুলি?
প্ৰকাশ পাইছে দ্যুলোক-ভূলোক
অপ্ৰকাশক প্ৰকাশ কৰি,
এইনো জীৱনে নাপাব আলোক
নাপাব প্ৰকাশ জীৱন ধৰি?

## কি জানি নহয় ভুল

প্ৰকাশ পাওক
চন্দ্ৰ সূৰ্য্য
প্ৰকাশ পাওক
বনৰ ফুল,
অপ্ৰকাশত
কিজানিবা একো
হোৱা নাই, মোৰ ভুল
নুফুলি জীৱন ফুল।

মোৰ জীৱনৰ ফুল
নুফুলি নুফুলি
ফুলিব পাৰে
ভাঙি দি হঠাৎ
মোৰ নজনা নুশুনা
ভুল,
কাইটেৰে বেৰা
মোৰ এই
জীৱনৰ ফুল।

*

চন্দ্র-সূর্য্য
সহজে উজ্বলে
সহজে ফুলে যে
—ফুল;
মনুষ্যবিকাশ
সাধনা-লব্ধ
জীৱনৰ ঘটে
ভুল।

*

প্রকাশ পাওক
কোকিল-কণ্ঠ
শত বসন্ত
ব্যাকুলি মোহি,
গংগা বওক
প্রবল বেগেৰে
সন্ধ্যা পৰক
আঁচল থ'হি;

সি বোৰে গাইছে সহজে
বইছে সহজে
নাচিছে সহজে
সহজত নাই ভুল,
মানুহে নাগায় সহজে
নকয় সহজে
নানাচে সহজে
সহজ নহয়
বিকাশ মনুষ্য ফুল,
তাতেহে তাৰ শ্ৰেষ্ঠ গৰ্ব্ব
তাতেহে ইমান মোল,
তাতেহে ঘটে পদে-পদে তাৰ
হেজাৰ হেজাৰ ভুল।

*

মোৰ জীৱনৰ ফুল
নুফুলি নুফুলি
ফুলিব পাৰে,—
ভাঙি দি হঠাৎ
মোৰ নজনা নুশুনা
ভুল,
কাইটেৰে ভৰি থকা
এই মোৰ
জীৱনৰ
ফুল।

# সাধনাৰ স্বৰ্গ

বনত ফুলি যি ফুল
সৰগৰ, বিলালে
সৌৰভ মোক,
মনত 'ভাবিলোঁ ইযে ভুল,
ই যে ফুল মৰতৰ,
নুগুচে স্বৰ্গীয় ভোক!

*

ভাবি ভাবি বন ফুল
মৰতৰ,
সাজি সাজি মন ফুল
সৰগৰ,
কটালোঁ কতনা যুগ;
হাঁহি উঠা তলমল
যৌৱনৰ,
ভাহি যোৱা অশ্রুজল
বিৰহৰ,
কত ভোগ, কত শোক,
গাঁথি লই হৃদয়ৰ কত কি
কত কি অলক্ষ্য খেলা,
বাচলোঁ কতনা ফুল—
কতনা যে লক্ষ্য মালা;
ধাবে-ধাবে
থৰে থৰে তাৰ
স্বৰ্গৰ আভাস পালোঁ
নাপালোঁ যে স্বৰ্গলোক!

স্বৰ্গৰ আভাস মাথোঁ
　　বিৰিঙি উঠিল,
ৰিণিকি ভুমুকি মাৰি
　　স্বৰ্গ আঁতৰিল!

*

ইদৰে যে ভাগি যায়
　　স্বৰ্গ মোৰ গঢ়োঁতে
　　　　গঢ়োঁতে
সুখৰ কল্পনা ৰাশি
　　ভূত-ভবিষ্যৰ যেন
　　　　স্মৰোঁতে স্মৰোঁতে;
ভাগৰি পৰিলোঁ শেষে
　　হাত-যোৰ কই,
স্বৰ্গৰ মালিকে যেন
　　দিছে মোক কই:—
"স্বৰ্গ নোহে মাথোঁ বন ফুল
　　সৰি পৰি যোৱা,
স্বৰ্গ নোহে মাথোঁ মন-ফুল
　　গাঁঠি গাঁঠি লোৱা,
স্বৰ্গ আছে হৃদয়তে
　　সত্য-শিৱ-শান্ত।
বনে মনে একাকাৰ
　　অনাদি অনন্ত।"

# মিলন

সমানে সমানে মিল
এই যে নিখিল
সমনীয়া বিচাৰিয়ে
আকুল ব্যাকুল;

নই বই সাগৰত গই
পানীয়ে পানীয়ে মিলি
মিলনৰ তৰঙ্গতে
সমুদ্ৰ বাতুল।

*

নোহোঁ যেবে সমনীয়া
তোমাৰ সমান বিভু,
নহওঁ বিৰাট মই
নহওঁ স্ৰাট,

মিলন তোমাৰে মোৰে
সম্ভব নে বাৰু কভু
অত ক্ষুদ্ৰ বিৰাটেৰে
অত অকস্মাৎ?

মিলন তোমাৰে মোৰে
অত দূৰ দূৰণিৰ
ইমান অতুল
হায় ইমান অতুল,

নহয নে বাৰু মোৰ
সমূলঞে ভুল

তুমি মাটিৰ পৃথিৱী গঢ়ি
মিহলাই আন্ধাৰ পোহৰ,
তুলিছা যি জীৱনত মোৰ
হৰ্ষ আৰু বিষাদৰ
বিজুলী লহৰ!
প্ৰত্যুত্তৰ যদি তাৰ
পাৰোঁ মই দিব
স্বৰ্গ সাজি মৰতত
সোণৰ বৰণ,
আপোন মনৰ মোৰ
মাধুৰী-ৰাশিৰে
পাৰোঁ যদি জগতক
কৰিব বৰণ,

*

স্বৰ্গ-স্ৰষ্টাৰূপে মই
তেতিয়াহে ধাতা
সখিত্ব-গৌৰৱে আহা
তোমাৰ লগত,
মিলনৰ গৰ্ব্ব লই
মিলন, মিলন কই
মিলি যাম মিলনেৰে
মহান বিশ্বত।

# নীৰৱ বীণা

চাওঁতে চাওঁতে বীণা কিয় মোৰ
নীৰৱ হ'লি?
"হৃদয়ৰ অত অকথিত বাণী
অগীত গান"
সাৰ্মাৰ থলি!
কোন বিৰহত মূৰ্চ্ছা গলি?
বীণা কিয় মোৰ নীৰৱ হ'লি?
আজিও তো সেই
আগৰ দৰেই
জোন-বেলি-তৰা
সেউজীয়া ধৰা
উঠিছে জ্বলি,
বিশ্ব বীণাৰে সুৰত গলি,
কাক হেৰুৱাই কোন বিৰহত
মূৰ্চ্ছা গলি?
বীণা কিয় মোৰ নীৰৱ হ'লি?
আজিও তো সেই
আগৰ দৰেই
ছয়োটা ঋতুৰ অৰ্ঘ্য সজাই
পুষ্প-পত্ৰ ধৰিছে ধৰাই
নিতউ নতুন ৰহণ ঢালি;
বিশ্ব বীণাৰ কোনটো সুৰত
সুৰ হেৰুৱাই
বীণা তই মোৰ নীৰৱ হ'লি?

# বাঁহী

বাঁহী যদি বাজ আকউ এবাৰ,
বাজ তেনে তই
গোকুলৰে সেই
মোহন বেণু;
ঢাপলি মেলক আছে মানে মোৰ
যতনাবোৰ,
বাসনা-কামনা-ভাবনা-ধেনু;
খোজে-পতি মোৰ বুকুৰ তেজেই
মাটিৰ ধূলিৰে
বৰণ সলাই,
ভুবন ভৰাই
উৰ্ফাৰ পৰক স্বৰ্ণ-ৰেণু।
বাঁহী যদি বাজ আকউ এবাৰ
বাজ তেনে তই
বাসনা বিফল
সকলো শূন্য—
মোৰ হৃদয়ৰ, সুৰৰ ছন্দে
তোৰ ৰন্ধ্ৰে ৰন্ধ্ৰে
সুষমা ভৰাই
কৰি দি পূৰ্ণ;—
চৰক ৰাগিণী পৰাণত মাথোঁ
ক্ষণিকৰ যত
জীৱন-মৰণ
মোহ-আবৰণ
হৰণ কৰি,

নাচক ৰাগক নূপূৰৰ দৰে
কেৱল ই চিত্ত
চিৰ নাচনত
চিৰ নটৰাজৰ
চৰণ ধৰি।

## মহাত্মা

জীৱন্ত কবিতা তুমি আপুনি মহাত্মা!
কবিতা কি? সি যে ক্ষীণ ধ্বনি হৃদয়ৰ
মাহাত্ম্য বিচাৰি ঘূৰি ফুৰে ত্ৰিভূৱন
মৰ্ত্ত্য পিপাসাৰে, আকুল ব্যাকুল হই
কবিৰ প্ৰাণত! কোটি কবিকণ্ঠ-জিনি
তুমি আজি ভাৰতৰ মৰ্ম্ম-বাণী, শত
শতাব্দীৰ, উদ্বোধিত কৰ্ম্ম-শক্তি নৱ,
পতিত জাতিৰ; জ্ঞান-দাতা, প্ৰাণ-দাতা
তুমি আজি মুক্তি-দাতা ছিন্ন কৰি এই
পাপ-লিপ্ত, ক্ষিপ্ত সভ্যতাৰ দুৰ্ভেদ্য
প্ৰাচীৰ; পূৰ্ণেন্দু উদিত ধৰাত তুমি
জন-গণ-মন সিন্ধু কৰি উদ্বেলিত।
মানুহে চূৰ্ণিব যত নিজ মৰ্ত্ত্য সীমা,
তাতহে বাঢ়িছে তব দেৱত্ব মহিমা।

# সত্য

সৃষ্টিৰ উল্লাস লাগি প্ৰথমে যিদিনা
ব্ৰহ্মা-কমণ্ডলুৰ সি লভি
বাৰি স্পৰ্শ,
সঞ্চাৰিত ক্ষুদ্ৰ এই জীৱন-অংকুৰ
উঠিছিল মূৰ্ত্তিমান
এটি মধু হৰ্ষ!

*

পালনৰ বিষ্ণু-হস্ত-পৰশত পুনু
পল্লবিত প্ৰফুল্লিত কত
আশা-ফুল,
ৰুদ্ৰৰ সি একোটি দৃষ্টিয়ে কৰি দিলে
ছাৰখাৰ, আজি ই জীৱন
কৰি ভুল!

*

চউ দিশে জ্বলে ভস্ম-ধূম, জ্বালা তৃষ্ণা
দুৰন্ত লালসাৰ কদৰ্য্য
হু-হুংকাৰ,
শব্দ-গন্ধ-ৰূপ-ৰস নীৰস কেৱল
জ্বলে বহ্নি লক্ লক্ লেলিহান
দুৰ্জ্জয় ক্ষুধাৰ!

*

সত্য নোহে ব্ৰহ্মা, তেনে সত্য নোহে বিষ্ণু,
সত্য নোহে ৰুদ্ৰৰো সি প্ৰলয়ৰ
ৰাক্ষসীয় কায়া,

তিনি জিনি পূর্ণ সত্য আনন্দ কি কিবা
ৰহস্যৰ চিৰ প্ৰশ্ন সুন্দৰ সি
সত্য কিম্বা মায়া?

## ছঁয়ামযা

ছঁয়ামযা পখিলাই ফুলে ফুলে উৰি হাঁয়
ছঁয়ামযা কৰে,
আমানিৰ আঁৰে আঁৰে কুলিটিও ছঁয়ামযা
কুউ কুউ স্বৰে।

ছঁয়ামযা সন্ধিয়াই জোন বেলি হেৰুৱাই
বিশ্ব পৰিহৰে,
ফোঁট পিন্ধি ভোটা তৰা উষাও যে ছঁয়ামযা
তৰুণীৰ দৰে।

ছঁয়ামযা ৰূপহীয়ে হৃদয়ত বিৰহীৰ
ম'ৰাচালি ধৰে,
ঘৰ এৰে ৰাধিকাই গোকুলৰ ছঁয়ামযা
বাঁহীটিৰ স্বৰে।

মেঘৰ বুকুত খেলা বিজুলীৰ ছঁয়ামযা
ইন্দ্ৰিয় গোচৰ,
চমকায় তিলেকতে বাতৰিটি ভূলোকত
'অতি ইন্দ্ৰিয়ৰ'।

সৌন্দৰ্য্যৰ ছ'য়াময়া যৌৱনৰ ইন্দ্ৰজাল
ইন্দ্ৰধনু কায়া,
সৃষ্টিৰ মোহন মন্ত্ৰে ইন্দ্ৰিয় তৃষ্ণাত তৰে
অনন্তৰ মায়া।

*

তাৰে যে ফলত সৃষ্টি ভাই, বন্ধু, প্ৰিয়জন
যত ছ'য়াময়া,
হৃদয়ত উঠে জ্বলি যাউতিযুগীয়া ছবি
সখ্য, প্ৰেম, দয়া।

*

এফালে ছবি সি স্থিৰ এফালে অথিৰ নিতে
জীবন নদীত,
ঢউৰ উপৰি ঢউ ছ'য়াময়া খেলি যায়
সোঁতৰ গতিত।

*

সোঁতৰ গতিযে সিয়ে উটাই বুৰাব ধৰে
মুহূৰ্ত্ত এটিতে,
ছ'য়াময়া পুলকৰ ইন্দ্ৰিয়-গোচৰ প্ৰেম
আনন্দ অমৃতে।

*

সেইযে সোঁততে উটি বান্ধিছে পৰাণে আজি
অনন্ত অগম,
ছ'য়ময়া সৌন্দৰ্য্যৰ পৰাণ প্ৰিয়েৰে মোৰ
সাগৰ সঙ্গম।

# সূৰ্য্যাস্তৰ পূৰ্ব্বে

দিনমণি ধীৰ, স্থিৰ; অস্ত যায় নউ
হাঁহে ৰশ্মি ছ'য়াময়া ঢউ
ছ'য়াময়া পোহৰৰ ঢউ,
বাটটিত জিলিঙনি হেঙুলী সপোন
পাহাৰৰ কাষৰেদি
খেলি যায় ভৈয়ামত সউ!

দিনৰ ইপাৰ ভৰি ৰাতিৰ সিপাৰে কৰা
মুকুতা হীৰাৰ শত
মণিময় কিৰণৰ মালা,
নাথাকে নাথাকে একো হব অস্তমিত হাঁয়
অস্তমিত হব এই
আবেলিৰ মধু স্বপ্ন বেলা।

নাথাকে নাথাকে হাঁয় মাৰ যাব এতিয়াই
আবেগ হেঙুলী মধু মেলা,
গধূলিৰ লগতেই মাৰ যাব ক'লা পৰি
বুকু ৰঙা আকাশৰ
প্ৰণয় বাঙলী 'হলি' খেলা।

সূৰুযে উজাৰ কৰি দিয়া বেলাকণি কিন্তু
ইতিমধ্যে পাবলাই হৃদয়ক
হৃদয়ৰ মোৰে,
বৰষুণে এৰি যোৱা ফুলকিটি গধূলিৰ
খেলিবলৈ ঢউ খোলা
মৰণৰ ঢোৰে;

যাবনে এনেয়ে বাব্ নিদি বাব্ একো হাঁয়
শুভ বাৰ্ত্তা মিলনৰ
আমালৈ আমাৰো এবাৰ?
স্ৰজিলে যি মহাকালে দুয়োটিকে সেয়ে পুনু
বিয়লিৰ বিদ্ৰূপ ই
হাঁহি হাঁহি প্ৰণয় আমাৰ!

এই সন্ধিক্ষণতেই যদি দেখে সউ
পৰিপূৰ্ণ বেলা এটি
উচ্ছ্বাসে প্ৰণয়ৰ,
ঘটিব কালৰ মৃত্যু প্ৰেম হব জয়ী
কালে যেনে মৃত্যু জিনে
কাল জিনি প্ৰেমে হৃদয়ৰ।

## দু'দণ্ডৰ কুসুম-লাৱণ্য

কিয়বা হঠাতে দেখা দি কিয়বা
দু'দণ্ডৰ কাৰণে
মিছাতে,
উথলালা মৰীচিকা মৰু জীৱনত
চিৰ দিন ধৰি কিয়
চকু-পচাৰতে?

Swinburne-ৰ "Before Sunset" বোলা কবিতাৰ ভাঙনি।

কণ্টকিত জীৱন ই
জৰ্জ্জৰিত হ'লে জোণ্ডে
দুখৰ অগণা,
চমকিলো তাতে বাৰু
কি কাৰণে দুদণ্ডৰ
কুসুম লাৱণ্য ?

*

জীৱনত নেপায়েই ভালপোৱা
হাঁহি, কান্দি, পৃথিবীৰ
ঋতুৰ লগতে,
মন্দাক্রান্তা গতি লই
গলোঁহয় বঁই নিতে
কালৰ সোঁতত!
বসন্ত অন্তত পুনু গ্ৰীষ্ম আহি
কাণে কাণে ক'ই গল হয়,
"চলি যোৱা তুমি,
এনেকৈয়ে লক্ষ্যহীন জীৱনত
ঘূৰি ঘূৰি এনেকৈয়ে
চিৰ মৰুভূমি।"
বৰ্ষা আহি ক'লেহয়—"যোৱা তুমি
যোৱা পান্থ, ভ্ৰান্ত হই মোৰে দৰে
গুৰ্জ্জি গুমৰি,
শীতে পুনু ক'লেহয়—"চলি থাকা
চিৰ বন্ধ এই দৰে জৰাজীৰ্ণ
হই, ঘূৰি ঘূৰি।"

# ফুলৰ চাকি

গোটেই দিনটো গাঁথিলোঁ গোলাপ
ফুলৰ চাকি,
পাহীটি হাঁহিবে পাহ পাহ কৰি
বাটটি চাকি,
ছটিয়াই দিছোঁ যিপিনে এতিয়া
লাহৰী যায়,
এবাৰো বাৰুতো নাচালে যে ঘূৰি
নাচালে হায়।
তেন্তে থ'ক পৰি পৰি থ'ক হায়
শুকাই যাব?
ভাবিছিলোঁ মই চাই চকুটিকে
জুৰাই যাব?
কতদিন হায় কৰিছিলোঁ শ্ৰম
সাৰোঁতে হাত,
ফুৰাই জঠৰ আঙুলি-বীণত
আনোঁতে মাত
উজাব কৰিলোঁ সাধনাৰ ধন
জানো যি গান,
শুনিলে নে তেওঁ শুনিলে নে বাৰু
দিলে নে কাণ?
গোটেই জীৱন শিকিলোঁ মাথোন
পাবলৈ ভাল,
বছৰ বয়স জয় কৰি লই
অজয় কাল;

গোটেই জীৱন ভাল পাই ব'লো
কেৱল আশা,
ব্যৰ্থ হৃদয় হৃদয় মাধুৰী
ব্যৰ্থ ভাষা!
মৰম কাহিনী শুনাম আৰু কি
শুনিব কোনে?
নুশুনিলে যদি সপোনৰে সেই
আপোন জনে?

## ফুল-শয্যা

ফুলনিত মোৰ ফুলিল যতেক
বনৰ ফুল
সজাই প্ৰাণ;
ফুলৰ শয্যা পাতি থই তাৰে
গাওঁতে গাওঁতে
তোমাৰে গান!
ৰাতি যে পুৱাল ফুলো শুকাল
শেৱালি পৰিল
মাটিত সৰি,
ফুলশয্যা গ'ই ফুল-শৰ হ'ই
ফুলেও দহিছে
জীৱন-ঘূৰি।

* Robert Browning-অৰ ভেঁজনি লৈ লিখা।

# বধিৰা

মোৰ হৃদয়ৰ ক্ৰন্দন শুনি,
আকাশত সউ
বজালে মৃদং দামিনী!

গুৰু-গুৰু-ৰবে দামিনী!
ধৰণীত বলে ধীৰেৰে তটিনী
তুলি কল্লোল

"ৰুৰোঁ" "ৰুৰোঁ" মোৰ
ভহাই প্ৰাণৰ তৰণী
হাঁৰি খহাই মনৰ ধৰণী!

তুমি হে বধিৰ অধীৰ কৰিলা
শুনিও নুশুনা ভামিনি!
অ' মোৰ হৃদয়-দামিনি!

"উৰোঁ" "উৰোঁ" প্ৰাণ
ৰাখিলা দিৱস যামিনী,
শুনিও নুশুনি বিলাপ প্ৰাণৰ
অ' মোৰ বধিৰা ভামিনি!

চমকি থমকি জ্বলিলা, জ্বলিলা
কেৱল আন্ধাৰ যামিনী
অ' মোৰ হৃদয়-দামিনি!
শুনিও নুশুনি বিলাই প্ৰাণৰ
অ' মোৰ বধিৰা ভামিনি!

মোৰ হৃদয়ৰ ক্ৰন্দন শুনি
আকাশত সউ
বজালে মৃদং দামিনী,
"গুৰু-গুৰু"-ৰবে দামিনী
অ' মোৰ বাধিৰা ভাৰ্মিনি!

## সৌন্দৰ্য্য

[ অনিৰুদ্ধ-ঊষা মিলনৰ পিছত ফুলনিৰ মাজত চিত্ৰলেখাৰ উক্তি ]

সৌন্দৰ্য্য অধিক কাৰ?
সমীৰৰ মৃদু হিল্লোলতে
কঁপি উঠা বননিৰ
জাঁতি জুই চঁপা এই
শেৱালি বকুল
প্ৰসূন পল্লৱ?

নতু, যুবকৰ সন্মুখত
নগৰৰ হৰ্ম্ম্য শোভা
উদ্ভিন্ন যৌবনা যুৱতীৰ
ভূলুণ্ঠিত কেশগুচ্ছ
মদন-পিছলি পৰা
কামাগ্নিৰ ধূম্ৰ আবেগৰ?

নতু কামিনীৰ মিলন আকুল
কামদীপ্ত ৰাঙলি ওঁঠত

স্বিগ্ধে জেউতি চাঁৰ
প্ৰেমিকৰ প্ৰীতি পৰশত
সৌন্দৰ্য্যৰ সফুৰা বাগৰি
ত্ৰিভুবন কৰিছে চঞ্চল?

কচোন মালতী তই
ক হেৰ ক,
ক'ত আছে সৌন্দৰ্য্য সৰহ
সন্ধ্যাৰ খোপাৰ পৰা
খহি পৰা এটি
হেঙুলী ৰশ্মিৰ ফুল
কৰে আহি যেবে
তহঁতক প্ৰণয ব্যাকুল,
সৰসীৰ দাপোনত তাৰ
উঠে যেবে প্ৰতিবিম্ব
ৰক্ত-ভানু আকাশৰ
জ্বলি উঠি তাতে
পূৰ্ণজ্যোতি অনন্তৰ ইংগিতেৰে আহা!

স্পৰ্শহীন সৌন্দৰ্য্যৰ
ইন্দ্ৰজাল তৰে,
সৌন্দৰ্য্যৰ পূৰ্ণ ৰাগ
বিৰাজেনে তাতে?
নতু গন্ধৰ্ব্বৰ কণ্ঠঃসৃত
সংগীতৰ ধ্বনি, স্বৰ্গ মৰ্ত্য
মুগ্ধ কৰি, মুগ্ধ কৰি

যক্ষ ৰক্ষ যত
শ্ৰুতিৰ পথেদি
বুকুৰ মাজত পশি
উঠিছে বিকশি,
অতিক্ৰমি যতক্ষণে
চকুৰেদি দেখা পোৱা
ৰূপৰ জেউতি?

নতুন নৃত্য—মন্দাকিনী উৰ্ব্বশীৰ
সুৰ সভা সিক্ত কৰি
ধৰিত্ৰীত পৰিছে বাগৰি
ধ্বনি যেন নূপুৰৰ
ৰুণুজুনু ৰুণুজুনু
কম্পিত বসন্তৰ
পল্লৱ মৰ্ম্মৰ?
মূক হই ৰ'লি হায়
সদ্যঃজাত অবাক শিশুৰ দল
যত পুষ্প প্ৰাণ
নাই সমিধান!

HALL & LIB
JUL 1960

# হেৰোৱা চৰাই

শুইনে শুইনে উৰি
অহা-যোৱা কৰ তই
পখীটি প্ৰাণৰ!
কোনোবা জন্মৰ মোৰ, আছে নেকি স্মৃতি তোৰ,
আছেনে সমন্ধ কিবা
বান্ধ সোদৰৰ?
সুধীৰ কণ্ঠত তোৰ, উঠে যি মধুৰ সুৰ
অধীৰ সিন্ধুৰ কোন
কৰে কুলধ্বনি!
কোন দূৰ দূৰণিৰ, ভেদি এই অবনীৰ
সকলো কোঢ়াল, শব্দ
শুনো ৰিণি ৰিণি।

শুইনে শুইনে উৰি কতনা চৰাই ঘূৰি
হয় নাইকিয়া উৰি
চকুৰে নমনি,
তই কিয় উৰি উৰি, গাব আহি ঘূৰি ঘূৰি,
শীতলাই জ্বলি থকা
প্ৰাণৰ অগনি,
জীৱনৰ মৰণৰ উচ্ছ্বসিত পৰাণৰ
কত সুগভীৰ কথা
কত যে সপোন,
বৃহৎ বিষাদ ছাঁয়া আকাংখাৰ যত মায়া
লুপ্ত কৰি সকলোকে
হলাহি আপোন।

শেৱালি

চৰাই ৰূপেৰে তই    কি গান শুনাৱ অ'ই
চৰাই নহৱ যেন
বাৰ্ত্তা মূৰ্ত্তিমান,
দেখি সি মূৰতি তোৰ    প্ৰাণ পখী পৰে জুৰ
কোনোবা যুগৰে লভি
মিলন মহান।
পৰিছে মনত নেকি    আজি বাৰু তোৰ পখী,
সৃষ্টিৰ প্ৰথম সেই
সুমধুৰ গান?
একে লগে দুয়ো হায়    উৰি অহা গাই গাই
আহোঁতে দুফালে দুয়ো
হেৰোৱা পৰাণ?

এৰিছিলোঁ লগ য'ত    কৰিবনে কৰিবনে ক'ত
কোন গিৰি, কোন মেঘ
সাগৰ প্ৰান্তৰ,
কোন সি অলকাপুৰী    পাম নেকি আৰু ঘূৰি
পলাবনে তৃষ্ণা এই
বিভ্ৰম পান্থৰ?
সুধীৰ কণ্ঠত তোৰ    উঠে যি মধুৰ সুৰ
অধীৰ সিন্ধুৰ কোন
কৰে কলধ্বনি,
কোন দূৰ দুৰ্বাণৰ    ভেদি এই অৱনীৰ
সকলো কোলাহল, শব্দ
শুনো ৰিণি ৰিণি।